Then, Sir, as I said, those who will be coming from the villages in search of employment to the urban and industrialised areas, they have become a very big problem. This problem, of course, is not confined to urban areas only ; the rural areas are also affected. We have even quite a large number of people from outside to our rural areas. There has really been an influx of population from outside the State. This is bound to be, as there cannot be any vacunm. You simply cannont keep some places in the name of reserve. There will be pressure on them from people coming from outside. These people are mainly displaced people and, therefore, desperate people. They are proletariat, who have got no vested interest and who have nothing to loss, They are desperate people and the yresort to any means. And there are many unscrupulous organisations and agenries to help them in ocoupying reserves. Many Government officials also, both of the Forest Department and Revenue Department who, being bribed, push them to there vacant areas. You may keep some of these areas under the "tribal belt," "tribal block" etc., but all this becomes menningless when there is onrush of needy and desparate people from outside the State. But, Sir, our Government is not alive to this. If we had distributed all these vacant lands to the landless people already living in the State, probably there could not and would not have been such an onrush.

Then, Sir, with regard to urban unemployment, there are so many spheres of employment— administrative, prof-

essional, industrial, commercial and others. So far as the administrative sphere is concerned, the scope is bound to be limited. Government cannot employ all the people who will be coming out of the schools and colleges. This is impossible. So far as professions are concerned, there also the scope is limited. Therefore, we have to give the greatest emphasis on industry and commerce. Now, the industrial ventures may be big, medium or small-scale. So far as basic industries are concerned, they are a long-term feature and in this we shall have to depend to agreat extent on the help we might be getting from the Government of India. The same is the case with regard to major industries also. There are some industries which are no doubt capital intensive, where the scope for direct employment is limited. For example, a oil refinery or a petro-chemical complex. By itself it will not employ a large number of people, but it will create the proper climate and atmosphere for growth of ancillary industries, shops, etc., which will create emyloyment. Take the case of Bamuni Maidan in Gauhati. Sir. In our college days that was the chandmari and there were very few people living there. Now, with the establishment of the oil refinery, this has turned out to be the most populous and busy industrial centre in Gauhati. In this context, Sir, it would be meet and proper to reiterate that the people of Assam want not the expansion of refining capacity of the existing refinery at Noonmati but they categorically want a second oil refinery in the public sector. Let there be no confusion about it. Let there be no attempt by double talk or sophistry

to mislead and betray the people of Assam. I make it clear that what the people of Assam want is not expansion of the existing refining capacity at Noonmati or Digboi, but a second public sector refinery. Let there be no attempt to hoodwink and mislead the people. Let it be very clearly put before the Government of India that the people of Assam will not remain content with only the expansion of refining capacity, they must be given a second refinery, which will create a new industrial centre, probaly, in the Sibsagar district. This will create such a climate which will encourage private individuals also to go in for small industries.

Then, Sir, there are some industries which are labour-intensive. Every major industry is not necessarily capital-intensive and in hom the Government of Assam also can take a part. If the Government of India can invite private firms for partnership, the Government of Assam on very well be a partner in such industries. I need not take the time of the House by elaborating this point. That I suggest is that in some major industries our Government may be participants or partners. With regard to the medium industries also, the same is the case, but here it may be necessary to accommodate some industrialists from outside the State also. It is sometimes said — when we say that there should be a condition that people of the State should be employed whenever there is a industry— there are some enomies of this State who describe it to be a narrow or regionalism. Sir, if I want to engage a family member in my family, my villager in my village or

my own people in the district, should it be described as narrow regionalism ? According to the Constitution of India, anybody from any part of India can come to any place and nobody can shut the door for them. If any industrialist wants to come here, let him come and start any industry he likes. But there should be certain endition. Why cant' the Government of Assam make certain bargain with them ? What is that bargain ? The bargain is that we want the poeple of Assam be employed in their industries. People of the State do not mean only the Assamese speaking people. Here, in our State there are Bengali speaking people, Khasi speaking people, Garo speaking people and so on so forth. Here, there is not only one class of people. We have all classes of people here. Therefore, I would like to suggest that when the Government of Assam invite any industrialist who wants to build up medium industry, small scale industry or any kind of industry, they must give some condition – the condition that local people must be employed— The Government must make it a point that preference in respect of employment should be given to those people who call Assam their native land and who make Assam their own home. These things should be done by the Government not out of fear, but out of love. I was extremely sorry to hear the elaborate speech of honourable member Shri Debeswar Sarma who said that it should be done otherwise we shall have to put Dhakua on our back, that is to say that Government of Assam must do these things, otherwise

they will be beātch by the people. Sir, my suggestion is that the approach should be out of love and not out of fear. If you do not love the people, if you do not give employment to the people, they become burden to the Government as well as to the society. No capital is greater than human life. You must do something for their survival. Fear complex is a bad complex. You must give us that complex: I am believer of revolution Revolution, means complete transformation of society and that transformation and that change can come not from fear but out of love. Socialism can be built only by love aud if anything to be destroyed that is capitalism. You must look forward—search your heart. Your heart must be full of live and that love must be supplmented by that mortal society and that contended society can be built only by positive approach. Sir, what I urge the Government is that they should take a positive attituds towards this approach with love, sincerity and sense of dedication, because these children, and children to be our children and the children of the mother land, must be employed, must be given work. We must see that anybody •who calls Assam their own home must be employed. Everbody comes to the world with hands and brain must be given opportunity for creation of work and then no man will be a burden to the sceiety or to the Government,

Shri Sailen Medhi— উপাধ্যক্ষ মহোদয়, অসম এখন সমস্যা বহুল ৰাজ্য। আজি আৰু এটা সমস্যাই মূৰ তুলি উঠিছে, সেইটো হৈছে অসমৰ নিবনুৱা সমস্যা আৰু এই সমস্যাটোৰ কথাকে আজি অত দিনে আমাৰ বিধান

সভাত আলোচনা হৈ আহিছে। এই সমস্যাই যে একমাত্র অসমতেইহে গা ডাঙি উঠিছে এনে নহয়, গোটেই ভাৰতবৰ্ষৰ সমষ্ট ৰাজ্য জুৰি এই সমস্যা আমি দেখিবলৈ পাইছো।

বাহিৰ পৰা অসমলৈ অহা লোকৰ দ্বাৰা আমাৰ অসমত যি বিলাক উদ্যোগ স্থাপিত হৈছে তালৈ যদি আমি চকু ফুৰাই চাওঁ তেন্তে আমি দেখিবলৈ পাওঁ যে এই সকল লোকৰ দ্বাৰা আমাৰ এই সমস্যা সমাধান হোৱা নাই।

মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়া নাইবা বৰা ডাঙৰীয়াই কোৱাৰ দৰে আজি ময়ো কব খুজিছো যে সমাজৰ আমুল পৰিবৰ্ত্তন নকৰাকৈ এই সমস্যা সমাধান হোৱা সম্ভৱ নহয়। গতিকে সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰত ব্যক্তিগত মালিকানাৰ ভিত্তিত গঢ়ি উঠা সমাজ আৰু চলিত ধন তান্ত্ৰিক যি অৰ্থনীতি, এই অৰ্থনীতিৰ পৰিবৰ্ত্তন নহলে এই সমস্যা সমাধান কৰা সম্ভৱ নহয়। কিন্তু আজি আমাৰ এই অৰ্থনীতি মাজত, সমাজনীতিৰ মাজতো যিমান থিনিলৈ পাৰো এই সমস্যা ৰাজ্যই ৰাজ্যই সমাধান কৰিব লাগিব। সেই কাৰণে আজি এই সমস্যা ৰাজ্যৰ বিধান সভাত আলোচনা কৰিব লগা হৈছে। Employment exchange এ ১৯৪৯ চনৰ পৰা ১৯৬৯ চনৰ ৩১ ডিচেম্বৰ তাৰিখলৈ অসমৰ নিবনুৱা সমস্যাৰ হিচাব দিছিল ১৮ লাখ ১৯ হাজাৰ ২২৬ জন। তাৰ ভিতৰত ইঞ্জিনিয়াৰৰ সংখ্যা হৈছে ১২ হেজাৰ ৯২৯ জন, মেট্ৰিক আৰু আন্দাৰ মেট্ৰিকৰ সংখ্যা হৈছে ১৫ লাখ ২৬ হেজাৰ ২৬০ জন। এই নিবনুৱা সকল অকল টাউন অঞ্চলৰে নহয়, গাঁৱে ভূঞে বাস কৰা লোক সকলৰ মাজতো এই সমস্যাই দেখা দিছে।

আমাৰ অসম এখন কৃষি প্ৰধান দেশ। গতিকে ইয়াৰ শতকৰা ৮০ জন লোকেই কৃষিজীবী আৰু কৃষকৰ সন্তান। আজি আমাৰ গাঁৱৰ বহুত লৰায় পঢ়া শুনা কৰিছে— সেই শিক্ষিত, অদ্ধ শিক্ষিত লৰা বিলাক আজি চাকৰী বিচাৰি চহৰ মুখী হৈছে। এই লৰা বিলাকক যদি কিবা ব্যৱস্থা কৰি গাৱতে ৰখা নহয় তেনেহলে এটা ভিষণ সমস্যাৰ সৃষ্টি হব। এই চহৰ মুখী সোঁতটো বন্ধ কৰিব পৰা নাযাব। গাৱৰ লৰা বিলাকক গাৱতে ৰাখিবলৈ হলে একোটা ভাল আঁচনি লব লাগিব। অধ্যক্ষ মহোদয়, আমাৰ নিবনুৱা সমস্যাৰ কথা মনত পৰিলে, যিখন চিত্ৰ মনলৈ আহে সেই চিত্ৰখন সংশোধন কৰিব লাগিলে প্ৰথমে শিক্ষা নীতিৰ পৰিবৰ্ত্তন ঘটাব লাগিব। আমাৰ যি ধৰণেৰ শিক্ষা নীতি,

হব লাগিছিল আজি সেই ধৰণে হোৱা নাই। সেই কাৰণেই আমাৰ নিবনুৱা সমস্যাটো ইমান ভয়ঙ্কৰ ৰূপত দেখিবলৈ পাইছো। গত ২০ বছৰে আমাৰ অৰ্থ নৈতিক দিশটো উন্নত কৰিব পৰা হলে, যথেষ্ট পৰিমাণে উদ্যোগ স্থাপন কৰি আমাৰ লৰা বিলাকক নিয়োগ কৰিব পৰা হলে, আমাৰ নিবনুৱা সমস্যাটো আমাৰ সন্মুখলৈ নাহে।

আজি ৰাতি পুৱাত এই বিধান সভাৰ মজিয়াত প্ৰশ্নোত্তৰৰ সময়ত এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে আমাৰ Petro-chemical Complex ৰ কাৰণে কাৰিকৰী প্ৰশিক্ষণ লবৰ বাবে কিছুমান লৰাক বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। তাৰ লগতে মযো কও যে আমাৰ ইয়াত তেল শোধনাগাৰকে আদি কৰি যি বিলাক বৃহৎ শিল্প হব, (অৱশ্যে বৃহৎ শিল্পত বেচি পৰিমাণে লোক নিয়োগ কৰিব নোৱাৰে) সেই বিলাকৰ কাৰণেও আমাৰ ডেকা লৰাবিলাকক বাহিৰত প্ৰশিক্ষণ দি অনাৰ ব্যৱস্থা কৰিব লাগে। যাতে আমাৰ ইয়াত উপযুক্ত মানুহ নাই বুলি হাজাৰে হাজাৰে বাহিৰৰ পৰা ডেকা লৰা আমদানী কৰি আনি, আমাৰ শিল্পৰ ক্ষেত্ৰ বিলাকক নিয়োগ কৰি আমাৰ থলুৱা ডেকা লৰা বিলাকক বঞ্চিত কৰা নহয়। আমাৰ নিবনুৱা সমস্যাৰ আজি যি ৰূপে দেখা দিছে সেইটোত যাতে কাৰিকৰী শিক্ষাৰ জৰিয়তে দূৰ কৰিব পৰা যায় তাৰ বাবে আমাৰ শিক্ষানীতি প্ৰয়োজন বোধে পৰিবৰ্ত্তণ কৰিব লাগে।

আজি আমাৰ চৰকাৰে কিছুমান লৰাৰ লগত লাখ লাখ টকা খৰচ কৰিব লাগিছে অতি পৰিতাপৰ কথা যে আমাৰ চৰকাৰে একোজন লৰাৰ লগত এই ধৰণে লাখ লাখ টকা খৰচ কৰিও কোনো কাম আদায় কৰিব পৰা নাই। আমাৰ ৰাজ্যত Industry একো সহায় দিব পৰা নাই। অৱশ্যে বৃহৎ Industsy বিলাকক বেচি সংখ্যক লোকক নিয়োগ কৰিব নোৱাৰে। আৰু যি অলপ নিয়োগ কৰিব পৰা যায় সেই খিনিও কাৰিকৰী অভাৱৰ কাৰণেই দিব নোৱাৰে।

আজি আমাৰ লাখ লাখ টকা খৰচ কৰি Small Scale Industry বিলাক খুলিছে— আৰু এই বিলাকত বেচি জোৰ দিয়া হৈছে— উদাহৰণ স্বৰূপে মই এটা কথা কব খুজিছো, "আমাৰ Small Scale Industry Corporation ৰ ১৫ টা Units আছে। এই বিলাকত লাখ লাখ টকা খৰচ কৰা

হৈছে। কিন্তু দুখৰ বিষয় ইয়াৰ এটাইও আজি পযান্ত কোনো লাভ দেখুৱাব পৰা নাই। তাত যি বিলাক Machinary আছে সেই বিলাকত মামৰে ধৰিছে। সেই বিলাক মেচিনাৰী পুনৰ কামত লগাব পৰা নাযাব। যিবিলাক Small Scale Industry কৰিছে সেই বিলাক plan কৰি কৰিব লাগে। কেই দিন মানৰ আগতে আমাৰ বৃত্ত মন্ত্ৰীয়ে কৈছিল যে সেই বিলাক proper Plan কৰি নকৰাৰ কাৰণেই আজি Small Scale Industry টো কিছুমান সমস্যাৰ সন্মুখীন হব লগীয়া হৈছে।

আমাৰ অসম এখন কৃষি প্ৰধান দেশ। কৃষিৰ ব্যৱস্থা উন্নত কৰি আমাৰ হাজাৰ হাজাৰ নিবনুৱা ডেকাক কৃষিৰ কামত লগাই, গাৱতে নিবদ্ধ কৰি ৰাখিব লাগে। কৃষিৰ ব্যৱস্থা যন্ত্ৰী কৰণ কৰি, উন্নত কৰিব নোৱাৰিলে লাখ লাখ হাজাৰ হাজাৰ ডেকা চাকৰীৰ কাৰণে চহৰ মুখী হব তেওঁ লোকৰ চহৰ মুখী সোত বন্ধ কৰিব পৰা নাযাব। ফলত আমাৰ অৰ্থ নীতিটো ক্ষতি হব আৰু কৃষিটো ক্ষতি হব। আমি আমাৰ একমাত্ৰ উদেশ্য হব লাগিব কৃষিৰ ব্যৱস্থা উন্নত কৰি তাত আমাৰ ডেকা লৰাক প্ৰয়োগ কৰাটো।

কৃষিৰ লগতে ভুমি সংস্কাৰ উন্নত হোৱা প্ৰয়োজন। ৰাজ্য পালৰ ভাষণত উন্নত প্ৰণালীৰে খেতি কৰাৰ কথা উল্লেখ কৰিছে। তেখেতে তেখেতৰ ভাষণত কৃষিত Mechinary, সাৰ আদিৰ প্ৰয়োগ কৰাৰ কথা কৈছে। এই বিলাক কৰিলে গাৱৰ কেইজন মানুহে উপকৃত হব। যি কেইজন ধনী মানুহ তেখেত সকলহে উপকৃত হব কাৰণ তেখেত সকলে Fertilisur, সাৰ আদিৰ ব্যৱহাৰ কৰিব পাৰে। কিন্তু দুখীয়া খেতিয়কৰ কেইজনে এই দৰে পইচা খৰচ কৰি সাৰ আদি ব্যৱহাৰ কৰিব পাৰে? আমাৰ Co-operative firming হৈছে কিন্তু কেইজনে ইয়াত সুবিধা পাইছে? হাজাৰ হাজাৰ, লাখ লাখ গাৱলীয়া দুখীয়া খেতিয়কৰ কোনো উন্নতি হোৱা নাই। আজি গাৱৰ অৱস্থা ২৩ বছৰে কিয় উন্নত হোৱা নাই? এই কথা বিলাক কৃষিৰ ক্ষেত্ৰত বৰ গুৰুত্বপুৰ্ণ। কিন্তু ভাগ্যৰ কথা আমাৰ চৰকাৰে এনেবোৰ কথাত একো গুৰুত্ব নিদিয়ে।

আপুনি শুনি আচৰিত হব, উপধ্যক্ষ মহোদয়, আমাৰ ৰাইজৰ কাৰণেই এইটো সমবায় বিভাগ কিন্তু আজি সমবায় মন্ত্ৰীৰ কাৰনেই এই সমবায় বিভাগটো ধ্বংস মুখী হৈছে।

এই বিধান সভাত আমাৰ সমবায় মন্ত্ৰী গৰাকীৰ বিৰুদ্ধে অভিযোগ উঠিছে দুৰ্নীতি কৰা বুলি। এই অভিযোগ বিচাৰ কৰাৰ কাৰণে বিধান সভাই সিদ্ধান্তও গ্ৰহণ কৰিছে। কিন্তু অতি আচৰিত কথা এতিয়ালৈকে এই মন্ত্ৰী গৰাকীক এই বিভাগৰ মুৰব্বী হৈ থাকিবলৈ সুযোগ দিয়া হৈছে যাৰ ফলত এই বিভাগৰ তলতীয়া কৰ্ম্মচাৰী সকলে এইজনা মন্ত্ৰীৰ বিৰুদ্ধে এষাৰ কথা কবলৈ সাহ কৰিব নোৱাৰিব। ফল স্বৰূপে অভিযোগৰ প্ৰকৃত বিচাৰ সম্ভৱপৰ নহব।

কিন্তু এজন চৰকাৰী বিষয়াৰ বিৰুদ্ধে অভিযোগ বিচাৰৰ সময়ত যাতে সেই বিষয়াই তেওঁৰ কৰ্ত্তৃত্বৰ জৰিয়তে সেই বিচাৰ বা অভিযোগ নষ্ট কৰিব নোৱাৰে তাৰ বাবে কৰ্ম্মচাৰী জনক ততালিকে Suspend কৰা হয়। কিন্তু আমাৰ এই মন্ত্ৰী গৰাকীক এতিয়াও চৰকাৰে File আদি handle কৰিবলৈ অবাধে এৰি দিছে। এইটো আচৰিত কথা।

আমাৰ চৰকাৰে নিবনুৱা লোক সকলৰ চাকৰী দিয়াৰ ক্ষেত্ৰত একো কৰিব পৰা নাই। আমাৰ Supply Department Madical, Transport বলৈকে চোৱা যায় তাতেই দুৰ্নীতিহে হা হা— কৈ মুখ মেলি থকা দেখিছো। এই বিলাক বিভাগে আমাৰ ডেকালৰাৰ চাকৰীৰ ক্ষেত্ৰত বিশেষ সুবিধা একো কৰি দিব পৰা নাই। মোৰ বন্ধু শ্ৰীদুলাল বৰুৱাই কৈ গৈছে য আমাৰ লৰা বিলাকক চাকৰী দিয়াৰ ক্ষেত্ৰত এখন বিল আনিব লাগে। সংবিধানৰ ১৬ বিধি অনুযায়ী Caste, cread, Religion and place of birth ৰ অযুহাতত কাকো Discremination কৰিব নোৱাৰে।

উপাধাক্ষ মহোদয়, আমাৰ সংবিধানৰ ১৬ অনুচ্ছেদতেই আকৌ আছে যে যি বিলাক পিচ পৰা ৰাজ্য, সেই ৰাজ্য বিলাকে নিজৰ নিজৰ উন্নতিৰ কাৰণে একো খন বিশেষ বিল আনিবলৈ আইন কৰিব পাৰে। আৰু এইটো কই পঢ়ি দিছে। Article 16 (3) – Nothing in this Article shall prevent the Parliament from making any law prescribing in regard to a class or classes of employment or appointment to an office under any State Specified in the First Schedule or any local or order authority within its territory, any

requirement as to residence within that State prior to such employment or appointment. এই ক্ষেত্ৰত বিচাৰিলে কেন্দ্ৰীয় চৰকাৰে একোখন আইন প্ৰনয়ন কৰিব পাৰে। এই দৰে কিছুমান ৰাজ্যই আইন প্ৰনয়ন কৰি বিশেষ সুবিধা ললে— সেই বিলাক হৈছে নগালেণ্ড, ত্ৰিপুৰা, মনিপুৰ, সন্ত্ৰৰ, টেলেঙ্গনা আদিয়ে। আমাৰ মান্যবৰ শ্ৰীদেৱেশ্বৰ শৰ্ম্মা ডাঙৰীয়াই কৈ গৈছে যে "নগালেণ্ডে নিয়োগৰ ক্ষেত্ৰত সুবিধা আইন কৰিব পাৰে— আমাৰ চৰকাৰে কিয় নোৱাৰে" আমাৰ চৰকাৰে এই সুবিধা তেতিয়া গ্ৰহন নকৰিলে তেতিয়াৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় গোপীনাথ বৰদলৈ Constitient Assembly & member থকা স্বত্বেও আমাক কিয় এই সম্পৰ্কে Sekward দিব নোৱাৰিলে ? তেতিয়া কেন্দ্ৰীয় চৰকাৰে কৈছিল যে যিবিলাক ৰাজ্যৰ প্ৰেমে আইন কৰাৰ প্ৰয়োজন আহে তেখেত সকলে কৰিব পাৰে। আমাৰ তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে আমাক অনুন্নত বুলি কবলৈ লাজ কৰিয়েই হয়তো সংবিধানত এইকন সুবিধা গ্ৰহণ কৰাত আগ্ৰহ নেদেখুৱালে। উপাধ্যক্ষ মহোদয়, ইয়াৰ ফলতে আমাৰ চৰকাৰে আহি এটা ভীষণ সমস্যাৰ সন্মুখীন হৈছো। নগালেণ্ডে কৰিব পাৰে— ত্ৰিপুৰাই পাৰে— মনিপুৰে পাৰে ১৬ অনুচ্ছেদৰ সুবিধা লব আমাৰ চৰকাৰে কিয় নোৱাৰিব—

ইতিমধ্যে আমাৰ বিধান সভাৰ সদস্য সকলক লৈ এখন Employment Review Committee গঠন কৰা হৈছে। উদ্যোগত হাজাৰ হাজাৰ লৰাই চাকৰী পোৱা নাই, ব্যক্তিগত খণ্ডত পোৱা নাই তাৰ বাবে দোষ কাৰ মই কও এই বিলাকৰ কাৰণে আমাৰ বৰ্ত্তমান চৰকাৰেই দায়ী।

বহুতো ক্ষেত্ৰতে আমি দেখিবলৈ পাইছোঁ যে ব্যাক্তিগত উদ্দোগ সমূহৰ Employee ৰ ক্ষেত্ৰত যেতিয়া Selection হয় তেতিয়া অসমীয়া Candidate বিলাকৰ হৈ কোনো মাতোটা নাই। এই উদ্দোগ সমূহত যি বিলাক চৰকাৰৰ তৰফৰ পৰা দিয়া অফিচাৰ আছে সেই অফিচাৰ বিলাকেই আমাৰ দুখীয়া ল'ৰা বিলাকৰ কথা অলপো চিন্তা নকৰে। যেতিয়া Employee ৰ প্ৰয়োজন হয়, তেতিয়া তেওঁ বিলাকেই candidate বিচাৰি Employment Exchange লৈ এখন কাগজ পঠায় আৰু Employment Exchange ৰ পৰা কিছুমান candidate ৰ এখন List দিয়ে— সেই List খনত আমাৰ অসমীয়া ল'ৰাৰ নাম নাহে, তাত থাকিব কোনোবা Tewari, Pande, ইত্যাদি।

এই দৰে বাহিৰ পৰা অহা মানুহ বিলাকৰ নামহে Employment Exchange ত Registered হয়, আমাৰ অসমীয়া ল'ৰাবিলাকক অফিচাৰে Regiester নকৰে। তাৰ পাছত Employment Exchange ত যিবিলাক অফিচাৰে প্ৰাৰ্থী নিয়োগ কৰিছে, সেই বিলাক বাহিৰৰ পৰা অহা মানুহকেহে নিয়োগ কৰিছে। সেই কাৰণে তেওঁলোকেও অসমীয়া ল'ৰাৰ নাম Registered হোৱা স্বত্বেও বাহিৰৰ Candidate বিলাকৰ নামহে List ত অন্তৰ্ভুক্ত কৰে। যিবিলাক অফিচত এইদৰে দূৰ্নীতি সোমাইছে সেই বিলাক পুঙ্খানুপুঙ্খ ভাবে বিচাৰ কৰি আমাৰ চৰকাৰে তাৰ ব্যৱস্থা নকৰে। বৰঞ্চ তেওঁলোকক সহায়হে কৰে। আজি অসমত এই বিলাক দূৰ্নীতি ভৰি থকাৰ কাৰণে নিবনুৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে।

তাৰ পাছত প্ৰধান মন্ত্ৰীয়ে দিল্লীত ঘোষনা যে কৰিছিল অসমত উদ্যোগৰ বিকাশ হব। এই উদ্দেশ্য লৈ গঠন হল ব্ৰহ্মপুত্ৰ কমিচন। এই ব্ৰহ্মপুত্ৰ কমিচনৰ কামবিলাক সমাধা হোৱা হলে বহুখিনি কাম আমাৰ চৰকাৰৰ সমাধা হলহেতেন আৰু তাত চৰকাৰ বা জনসাধাৰণৰ বহুত উপকৃত হলহেতেন। এই ব্ৰহ্মপুত্ৰ কমিচনৰ কাৰণে যদি কেন্দ্ৰৰ পৰা কিছু টকা দিয়ে আৰু State ৰ পৰা যদি কিছু দিয়ে তেন্তে কামটো সোনকালেই হয়। কিন্তু আজিলৈকে এইটো নহল। এই ব্ৰহ্মপুত্ৰ কমিচনৰ কাৰণে মাত্ৰ ৩০ লাখ টকা লাগে। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৫ লাখ আৰু ৰাজ্যৰ পৰা ১৫ লাখ টকা যাব। কিন্তু এইটোৰ কাৰণে প্ৰধান মন্ত্ৰীয়ে দিল্লীৰ পৰা যিটো নিৰ্দ্দেশ দিব লগীয়া আছিল সেইটো এতিয়ালৈকে দিয়া নহল আৰু তাৰ কাৰণেই ব্ৰহ্মপুত্ৰ কমিচনৰ কাম বাকী ৰল আৰু এইবিলাক এতিয়ালৈকে চৰকাৰে ঠিক কৰিব পৰা নাই।

(সময়ৰ সঙ্কেত)

তাৰ পাছত কোনো এটা Deptt. ক যদি দূৰ্নীতিয়ে গ্ৰাহ কৰে আৰু সেই দূৰ্নীতি নিবাৰণৰ কাৰণে চৰকাৰে আওকান হৈ থকাটো বৰ দুখৰ কথা। গতিকে এই দূৰ্নীতি নিবাৰণ আৰু নিবনুৱা সমস্যা সমাধানৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।—

( সময়ৰ সঙ্কেত )

আৰু এটা কথা যে যিকোনো ক্ষেত্ৰতেই হওক প্ৰত্যেক Deptt. ত চৰকাৰে বিধান সভাৰ সদস্য সকলক লৈ একো একোটা consultain গঠণ

কৰি ক'ত কি হৈছে আৰু Plane বা Scheme বিলাক কেনেকৈ কৰিলে ভাল হয়, তাৰ এটা স্পষ্ট নিৰ্দ্দেশ দিব লাগে। এই Plane আৰু Scheme বিলাক inffiment কৰাৰ ক্ষেত্ৰতো দৰ্কাৰ হলে সেই Department ক নিৰ্দ্দেশ দিবৰ বাবে আমাৰ সদনৰ পৰাই একোটা কমিটি গঠণ কৰিব লাগে, গতিকে এই বিলাক সমাধান কৰিবলৈ কোন ধৰণে কাম কৰিলে সুবিধা হয় তাৰ বাবে এটা সু-ব্যৱস্থা কৰিব লাগে আৰু এই বিলাক সমস্যা সমাধানৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shaimati Pronita Talukdar - উপাধ্যক্ষ মহোদয়, আজি আমাৰ দেশৰ নিবনুৱা সমস্যা সম্পৰ্কে যি আলোচনা চলিছে, সেই আলোচনাৰ প্ৰসঙ্গতে মই দুষাৰ কথা কব খুজিছো।

বৰ্ত্তমান আমাৰ অসমত নিবনুৱা সমস্যাই এটা প্ৰধান সমস্যা হৈ পৰিছে। এই সমস্যা আমি সমাধান কৰিব নোৱাৰিলে আমাৰ দেশখন অৰ্থনীতিৰ ক্ষেত্ৰত যথেষ্ট পিচপৰি থাকিব। এই সমস্যাটোৰ বাবে আমাৰ ডেকাশক্তিৰ মাজত আৰু পিচপৰি থকা ৰাইজৰ মাজত আজি এটা বিক্ষোভে দেখা দিছে। আমি জানো যে যোৱা ৩০ মাৰ্চ্চৰ দিনা এই সদনৰ সন্মুখত আমাৰ ডেকাসকলে এই সমস্যা সমাধানৰ দাবী জনাই বিক্ষোভ প্ৰদৰ্শন কৰিছিল। গতিকে এটা সুস্থনীতি লৈ এই সমস্যা সমাধান কৰিব নোৱাৰিলে ভৱিষ্যতে আমাৰ নিশ্চয় অন্ধকাৰ আহি পৰিব।

এই নিবনুৱা সমস্যাৰ বাবে বহুক্ষেত্ৰত দায়ী বুলি ভাবো আমাৰ ধাৰাবাহিক শিক্ষা ব্যৱস্থা।

আমি চাব লাগিব যে আমাৰ শিক্ষানীতিত কি বেমেজালি হৈছে আৰু কেনে ধৰণে হলে ভাল হয় এইবোৰৰ লক্ষ্য ৰাখি এটা সুস্থ আৰু সবল নীতি গ্ৰহণ নকৰিলে আমাৰ লৰাছোৱালীৰ ভবিষ্যত একেবাৰে অন্ধকাৰ হব। এই ক্ষেত্ৰত মহাত্মা গান্ধীয়ে শিক্ষানীতিৰ পৰিবৰ্ত্তন ঘটাই যি বুনিয়াদী শিক্ষা প্ৰচলন কৰিছিল সেইটো সুস্থনীতি আছিল। কাৰণ সেই বুনিয়াদী শিক্ষাই আমাৰ লৰা ছোৱালী স্বাবলম্বী কৰাৰ উপৰিও তেওঁলোকৰ জীৱন নিৰ্ব্বাহৰ পথ বাচি লবলৈ শিক্ষা দিব পাৰে। গতিকে বুনিয়াদী শিক্ষাৰ জৰিয়তে আমাৰ লৰাছোৱালীক শিক্ষা দিয়াটো বৰ্ত্তমনে সমাজৰ দৰ্কাৰ হৈ পৰিছে।

আজি আমাৰ একান্ত প্ৰয়োজন যাতে L. P. School ৰ পিচৰ পৰাই আমাৰ লৰাছোৱালী বিলাকক কিছুমান কাৰিকৰী বিষয়ৰ জ্ঞান দিয়াৰ বাবে আচনি হাতত লয়। তেতিয়াহলে সকলে পৰাই তেওঁলোকক যিটো বিষয় শিকোৱা হৈছে সেই বিষয়ত পিচলৈ ভালদৰে শিকি শিক্ষা শেষ কৰাৰ পিচত নিজৰ জীবিকাৰ সংস্থান উলিয়াব পাৰে।

গতিকে এই ক্ষেত্ৰত শিক্ষাৰ উদ্দেশ্য হব লাগিব দুটা। এটা হৈছে মানসিক বিকাশ সাধনৰ বাবে শিক্ষা আৰু আনটো হৈছে ভবিষ্যতৰ কাৰণে কৰ্ম্ম সংস্থান দিব পৰা শিক্ষা। বৰ্ত্তমান এনেকুবা এটা সুস্থ শিক্ষানীতিহে প্ৰয়োগ কৰিব লাগে।

আজি আমাৰ ইয়াত কিছুমান উদ্যোগ, বৃহৎ উদ্যোগ বা ক্ষুদ্ৰ উদ্যোগেই হওক গঢ়ি উঠিছে। এই উদ্যোগ বিলাকত যাতে আমাৰ শিক্ষিত ডেকা সকলে অংশ গ্ৰহন কৰিব পাৰে তাৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

কিন্তু আজি এইটো কোৱাৰ প্ৰয়োজন হৈ পৰিছে যে য'ত বৃহৎ বা ক্ষুদ্ৰ উদ্যোগৰ নিগম স্থাপিত হৈছে সেই বিলাকৰ কাম ঠিকমতে চলা নাই আৰু সেই বিলাকৰ যি বেমেজালি আছে। সেইবিলাক দূৰ কৰি ঠিকমতে চলাব লাগে। গতিকে মই কব খুজিছোঁ যে আজি যিবিলাক পিচ পৰি থকা অঞ্চল আছে সেই বিলাকত ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি তাত প্ৰশিক্ষ লবৰ বাবে ডেকা সকলক আকৰ্ষণ কৰিব লাগিব!

অসমত I. T. I.ত বহু লৰাই প্ৰশিক্ষণ পালেও তাৰ পিছত এনেয়ে বহি থাকিব লগীয়া হয়। সেই কাৰণে প্ৰশিক্ষণৰ পিছত নিয়োগৰ ব্যৱস্থা থাকিব লাগে আৰু প্ৰশিক্ষণৰ পিছত ডেকাসকলে যাতে নিজে নিজে উদ্যোগ আৰম্ভ কৰিব পাৰে তাৰবাবে উপযুক্ত ঋণ আৰু মঞ্জুৰী দিয়াটো উচিত। মোৰ বোধেৰে আটাইতকৈ প্ৰয়োজনীয় গ্ৰাম্য উদ্যোগত গুৰুত্ব দি গ্ৰাম্য অৰ্থনীতিৰ বিকাশ সাধন কৰাটো। এই উদ্যোগৰ জৰিয়তে আমাৰ গ্ৰাম্যঞ্চলত অৰ্থনীতিৰ উন্নতিৰ কৰিব পাৰিব আৰু গ্ৰাম্যঞ্চলত থকা দুখীয়া লোকৰ আৰ্থিক সংস্থা উন্নত হব।

অসমৰ গ্ৰাম্য অৰ্থনীতি ঘাইকৈ নিৰ্ভ'ৰ কৰিছে কৃষিৰওপৰত। আজি আমাৰ মাননীয় দদস্য সকলে কৈছে আৰু মৰো কওঁ যে কৃষিৰ উৎপাদন শক্তি বঢ়াব লাগে আৰু এই উৎপাদিকা শক্তি বঢ়াবৰ কাৰণে আমি যথেষ্ট চেষ্টা কৰিব লাগিব। গতিকে আমাৰ চৰকাৰে আমাৰ খেতিয়ক সকলৰ অৱস্থা উন্নত কৰিবৰ কাৰণে কৃষি ঋণ বা খেতিৰ সা-সজুলি গোটাবৰ কাৰণে তেওঁলোকক কিছু

পৰিমানে সাহার্য্য দিয়া উচিত। এইদৰে কৃষিৰ আচনি কৰি আমাৰ ডেকাসকলক বা খেতিয়কৰ লৰাছোৱালী বিলাকক সেই আচনিৰ আদৰ্শৰ প্ৰতি আকৰ্ষণ কৰিব লাগে।

(সময়ৰ সঙ্কেত)

সময়ৰ Ring বাজিলেই। মোৰ কবলগীয়া বহুতো আছিল। কিন্তু কবলৈ সময় নাই।

উপাধ্যক্ষ মহোদয় তঁাতশাল বাদ দি আমি অসমীয়া ঐতিহ্যৰ কথা কব নোৱাৰো। কপাহ, এড়ী, পাট, মুগা আদি আমাৰ আপুৰুগীয়া সম্পদ। এই বিলাকত আমাৰ শিপিনী সকলক বিশেষ সাহার্য্য দিব লাগিব।

ঠায়ে ঠায়ে সমাজ কল্যাণ অনুস্থান খুলি আমাৰ দুখীয়া বিশেষকৈ বিধবা তিৰোতা সকলক নানা শিল্পত নিয়োগ কৰি কৰ্ম্ম সংস্থান দিব পাৰিব লাগে।

মহিলা অনুস্থান বিলাকত আজি উদ্যোগ বিভাগে, বয়ন বিভাগে Kntting Machine, চিলাই মেছিন, তঁাতশাল আদি দি সহায় কৰিছে। কিন্তু Kntting Machine বিলাক বেয়া হলে ভাল কৰাৰ সুবিধা নাই।

প্ৰত্যেক শিল্প আৰু উদ্যোগৰ Machinery ৰ সুবিধা দিয়াটো ডাঙৰ কথা। যাতে শিল্পটো গোৱাৰ লগে লগে শিল্পীয়ে উপযুক্ত দাম পায় তাৰ ব্যবস্থা হব লাগে। এই সুবিধাই আমাৰ দেশৰ মুনিহ তিৰোতা সকলৰ আৰ্থিক উন্নয়ন কৰাৰ লগতে সামাজিক উন্নয়নো আহি পৰিব।

এইখিনি কৈয়েই মোৰ বক্তৃব্য সামৰিলো।

**Dr. Surendra Nath Das**— উপাধ্যক্ষ মহোদয়, নিবনৱা সমস্যাৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহন কৰি মই সুদিছো যে আমাৰ নিবনুৱা সমস্যাৰ প্ৰধান কাৰন হল—আমাৰ চৰকাৰৰ ভুল শিক্ষা পদ্ধতি। এই-শিক্ষা পদ্ধতিৰ ফলতেই আজি হাজাৰ-হাজাৰ নিবনুৱাৰ সৃষ্টি হৈছে। এই শিক্ষাৰ দ্বাৰা শিক্ষিত হৈ আমাৰ ডেকাসকল কেৱল চাকৰী মুখী হে হৈছে। আমাৰ দৈনন্দিন জীৱনৰ অত্যাৱশ্যীয় যিবিলাক কাম সেই কাম বিলাক আমাৰ প্ৰদেশৰ শতকৰা এজনেও নকৰে। ফলত সেই বিলাক কামত অন্যান্য প্ৰদেশৰ মানুহ আহি ভৰি পৰিছেহি। উদাহৰণ স্বৰূপে আমাৰ চুলিকটা ব্যৱসায়টোতে দেখা যায়—

যে অন্যান্য প্ৰদেশৰ মানুহৰ বাহিৰে আমাৰ অসমীয়া মানুহ এজনো নাই বুলিলেও অত্যুক্তি কৰা নহয়। আগতে এই Hair Cutting ব্যবসায়ত আমাৰ দুই এজন মানুহ নোহোৱা নহয়। সেইবোৰ পৈত্ৰিক ব্যৱসায় এৰি আজি আধুনিক শিক্ষাৰে শিক্ষিত হৈ আমাৰ ডেকাসকলে তাৰ প্ৰতি পিঠি দিলে আৰু যাৰ ফলতেই আজি হাজাৰ-হাজাৰ নিবনুৱাৰ সৃষ্টি হৈছে। লগে লগে সেইবোৰ কামত বাহিৰা মানুহ আহি ইয়াত ভৰি পৰিছেহি। গতিকে মই চৰকাৰক নিবনুৱা সমস্যা-সমাধানৰ পৰিপেক্ষিতত এই পৰামৰ্শটো আগবঢ়াব খোজো যে ঠায়ে ঠায়ে এই বিলাকৰ কাৰণে স্কুল আদি খুলি দি আধুনিক উন্নত প্ৰণালীৰে আমাৰ ইচ্ছুক যুৱক সকলক ইয়াত শিক্ষা দি তেওঁ লোকক উৎসাহিত কৰিব লাগে। তাৰ কাৰণে অত্যাৱশ্যকীয় সকলো সা-সুবিধা দিবলৈ চৰকাৰক অনুৰোধ জনালো।

Embroidery ৰ ক্ষেত্ৰটো চৰকাৰক পৰামৰ্শ আগবঢ়াও যে আমাৰ যিবিলাক I.T.I আছে তাতেই এনেকুৱা পৰ্য্যায়ৰ কিছুমান শ্ৰেণী খুলি দি তাত ইচ্ছুক প্ৰাৰ্থীসকলক এই trade বিলাকত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে নিবনুৱা সমস্যাও কিছু পৰিমানে সমাধান হোৱাৰ লগতে ইতিমধ্যে বাহিৰলৈ গৈ থকা হাজাৰ হাজাৰ ধণো আমাৰ ৰাজ্যতে ৰৈ যাব। আমাৰ যুৱকসকলৰো জীৱন নিৰ্ব্বাহৰ এটা পথ মুকলি হব। এনেকুৱা বিলাকৰ কাৰণে যাতে আমাৰ ডেকাসকলক আকৃষ্ট কৰিব পৰা যায় তাৰ কাৰণে সৰু সৰু টাউন আদিত এই বিলাক খোলাৰ ব্যৱস্থা কৰিলে ই আমাৰ ৰাজ্যৰ কাৰণেই বেচ লাভজনক হব।

মাছ মৰা শিল্পটোৰো উন্নত প্ৰথা পদ্ধতিৰে আমাৰ যুৱকসকলক প্ৰশিক্ষণ দিয়াই কাম কৰাব পাৰিলে অৰ্থ আৰু আমাৰ বৰ্দ্ধিত নিবনুৱা সমস্যা সমাধানৰ দৃষ্টিকোনৰ পৰা ফলপ্ৰসূ হব বুলি আশা কৰা যায়। ঠিকা আদিৰ ক্ষেত্ৰতো দেখা যায় যে—এইবোৰ আমাৰ থলুৱা মানুহে নেপায়। সিও নিবনুৱা সমস্যাৰ বৰ্দ্ধিত সহায় কৰিছে। আমাৰ থলুৱা লোক সকলক আৰ্থিক অৱস্থা টনকীয়াল নেহোৱাৰ কাৰনে আমাৰ লোক-সকলে আমাৰ বুকুতে থকা ঠিকাৰ কামবোৰ নেপায় আৰু আৰ্থিক অৱস্থা অনুকুল হোৱাৰ কাৰনে এইবোৰ বাহিৰৰ লোকে পায় যাৰ ফলত আমাৰ থলুৱা লোক সকল বঞ্চিত হবলগা হৈছে। বাহিৰা লোক-সকলে এইবোৰ ঠিকা পোৱাৰ কাৰনে তেওলোকে সেই কামবোৰ কৰিবলৈ

তেও লোকৰ লগত বাহিৰা মানুহ লৈ আহি আমাৰ বনুৱা পয্যায়ৰ মানুহ বোৰকো বঞ্চিত কৰাত সহায় হৈছে। গতিকে এই ক্ষেত্ৰত চৰকাৰক মই এটা পৰামৰ্শ দিব খোজো যে আমাৰ থলুৱা লোক সকলৰ Financial help দি সেই কামবোৰ পোৱাত সহাৰি জনাবলাগে। লগে লগে এই পৰামৰ্শ টোও দিব যে আমাৰ যি সকল retired overseer Engineer আদি অভিজ্ঞ লোক আছে সেই সকলকো এই বোৰ কাম দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া হলে আমাৰ নিজা কামবোৰো যত্ন লৈ কৰাৰ কাৰনে ভাল হব, নিবনুৱা সমস্যাও সমাধানৰ সহায় কৰিব, বাহিৰৰ মানুহ আমাৰ থলুৱা সকলৰ প্ৰাপ্য খিনিৰ পৰাও বঞ্চিত কৰিব নেৱাৰিব যাতে আৰ্থিক হিচাবেও আমি লাভবান হব পাৰিম।

আৰু এটা ক্ষেত্ৰত মই আমাৰ মাননীয় সদস্য শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ লগত একমত কথাটো হৈছে যে আমাৰ Post & Telegrath, State Bank আদিৰ নিয়োগৰ ক্ষেত্ৰত Mark sheet ৰ ওপৰত depend কৰি নিয়োগ কৰা হয়। ফলত দেখা গৈছে যে এই বোৰতো আমাৰ অৰ্হতা সম্পন্ন ডেকা বিলাকো বঞ্চিত হব লগা হৈছে। আমাৰ যি দুখন University আছে তাৰ মান ভাৰতৰ অন্যান্য University তকৈ অলপ উন্নত যদিও ভাল Marks secure কৰিবলৈ টান। গতিকেই সেই ফালৰ পৰাও ভাল Marks নোপোৱাৰ কাৰনে আমাৰ ডেকা সকলে চাকৰী নেপায় আৰু Marks বেছি পোৱাৰ কাৰনে আমাৰ বাহিৰৰ অন্যান্য University ৰ under ত পাচ কৰা লৰাই এই বোৰ চাকৰি ভৰি পৰিছেহি। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত আবেদন জনাও যে Central Government ৰ under ত আমাৰ ডেকা সকলে চাকৰী পাব পৰাকৈ এই বাধা বিলাক দুৰ কৰে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

Mr. Deputy Speaker— The House has agreed to close the debate at 4 P. M, Two hon. Members like to participate......... (Interruption, noise)..........

Shri Rathindra Nath Sen— Possibly my name was there. I sacrificed my time for Mr. Patwary and Mr. Boro:

Mr. Deputy Speaker— That means you would like

that the debate should be carried over to the next private Members' day ?

(Voice : No, No, only upto 4 P. M. to-day)

It is now 3 P. M.

Mr. Deputy Speaker— Then Mr. Patwary will speak.

Mr. Deputy Speaker— পাচ মিনিট সময় Mr, Patwary.

Shri Hiralal Patwary— মাননীয় উপাধ্যক্ষ মই এই বিধান সভাৰ সদস্য হিছাবে মোৰ এনে অনুভৱ হয় যে চৰকাৰে Anti-people, Anti State Economic হিচাবে দায়িত্ব গ্ৰহণ কৰি আছে। মই বৰ দুখেৰে সৈতে এই শব্দ কেইটা ব্যৱহাৰ কৰিছো। ইয়াৰ অৰ্থ তেখেতসকলে যি হিচাবেই লওক। মই জনামতে অসমৰ যিমান বিলাক সমস্যা আজি অনুভৱ কৰিছো, সকলোখিনি চৰকাৰে সৃষ্টি কৰিছে। এই চৰকাৰে আমাৰ অৰ্থনৈতিক ব্যৱস্থা উন্নত কৰাৰ কাৰণে কাম কৰা পদ্ধতি কোনো দিনে চিন্তা কৰা নাই। মই উদাহৰণ স্বৰূপে আমি উদ্যোগীকৰণৰ কথা কও। উদ্যোগ কাক কয় এই কথা চৰকাৰে কোনো দিনে চিন্তা কৰা নাই। উদ্যোগ মানে যিবিলাক কাম জনশক্তিয়ে কৰিব পাৰে সেই বিলাকক উদ্যোগ বুলি কয়। Petrochemical Complex, Ciment Factoryত ময়দা উদ্যোগ ইত্যাদি। অসমত ময়দা উদ্যোগ ৭টা হৈছে তাত আমাৰ বিধবা বিলাকে যেহু Press কৰা কাম কৰিব পাৰে। কিন্তু ১৫ শ তিৰোতাৰ জীৱিকা নাশ কৰিছে। ৭টা ময়দা মিল পাতি তেওলোকৰ ব্যক্তিত্বৰ Relation তৈয়াৰ কৰিছে। কাৰণ একহেজাৰ মানুহ তেনেকৈ জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে। এইটো উদাহৰণ দিছো মানুহক মাটি ক্ষেত্ৰত কওঁ যে Stateৰ যিমান খিনি মাটি আছে এই গোটেইখিনি জনসাধাৰণৰ মাটি চৰকাৰৰ নহয়। চৰকাৰ আছে মাত্ৰ মাটি ৰক্ষা কৰিবৰ কাৰণে। কিন্তু এই State মানুহক কি কৰিলে। তাৰ যদি ইতিহাস অলপমান গৱেষণা কৰা যায় তেতিয়া বুজা যাব যে যে এই ২০ বছৰে কি সৰ্ব্বনাশ কৰিলে। মই ভাৰো এই উদাহৰণ দিয়াৰ কোনো দৰকাৰ নাই। A Hand Book of general circular ৰ যি নীতি নিজে কৰি সেই নীতি ভঙ্গ কৰিছে। তেওঁলোকে অসমৰ মানুহক কিমান মাটি দিলে

তাক তদন্ত কৰক। এতিয়া প্ৰশ্ন হৈছে কিছুমানে Revolution ৰ কথা কয়; মই এতিয়া অনুভৱ কৰিছো বিপ্লৱ কোনে কৰিব ? এইটো বৰ দুখৰ প্ৰশ্ন। মাননীয় উপেন সনাতনে ঠিকেই অনুভৱ কৰিছে। যি বিলাক ৰাজবংশী ৰজা আছিল বা আহোম, কোচ, কছাৰী, চুতীয়া, মোটক আদিক কিমান মাটি দিলে ? তেওঁলোকৰ প্ৰতি কিবা Interest লৈছেনে ? মই ভাবো এই দৰে Justice Evulation fail হয়। এতিয়া Regulation হব। কিন্তু Regulation ৰ নামত কিমান মানুহে কেনেকৈ Advantage লব এইটোৱেই চিন্তাৰ বিষয়।

চাৰ, আপুনি নিজে জানে যে আজি মানুহে কেনেকৈ দৰিদ্ৰতাৰ বাবে সুযোগ গ্ৰহণ কৰে আৰু মানুহখিনিক বিপথে পৰিচালিত কৰে। গতিকে অসমত কেনেকুৱা ধৰণৰ মানুহৰ কি বিপদ, কি অসুবিধা হৈছে এই বিলাক সকলোৰেই ৰহি Summerise কৰি আছে।

ভট্টাচাৰ্য্য ডাঙৰীয়াই তেখেতে খুউব শুদ্ধ কথাই কৈছে অসমত কিমান মানুহে কাম পাব পাৰে কেতিয়াবা এইটো পৰীক্ষা কৰিছে নে ? আমাৰ মানুহৰ মাজত নানা ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে আৰু ৰাইজ অসন্তুষ্ট হৈ পৰিছে এই অসন্তুষ্টিৰ সৃষ্টি কৰিছে Finance Minister, উদ্যোগ মন্ত্ৰী, Speaker ধৰণৰ মানুহে। গতিকে জনসাধাৰণক প্ৰতাৰিত কৰিবৰ কাৰণে এওঁলোকক দিছে। তেখেত সকলে দৰঙৰ কাৰণে কিবা কৰিছে নে ?

Mr. Deputy Speaker— মাননীয় সদস্যই প্ৰতাৰিত শব্দটো ব্যৱহাৰ নকৰিলেই ভাল।

Shri Hiralal Patwary— দৰঙত আজি সকলো ফালৰ পৰা আৱাজ উঠিছে যোৱা ২৩ বছৰৰ ভিতৰত দৰঙত উন্নতিৰ নামত একো নাই। নিয়োগৰ ক্ষেত্ৰত দৰঙৰ লৰাৰ বিষয়ে মুঠেই চিন্তা নকৰে। দৰঙৰ পাগলা খানাই নিবনুৱা সমস্যা সমাধান নকৰে। মাননীয় বিশ্বদেৱ শৰ্ম্মাই দৰঙলৈ যাওঁতে কিছুমান লৰাই ভাল পাইছে। কিন্তু ভাল পালেই জানো সমস্যা সমাধান হব ? সৰু সৰু কামৰ কাৰণে দৰঙৰ সীমা ৰেখাৰ ভিতৰৰ কোনো এটা Department ত কাম নাপায়। বিশটা Department ৰ উদাহৰণ দিব পাৰো। সেইটো সমস্যা কেৱল আজি Care of গ্ৰহণ কৰাত প্ৰযোজ্য হয়। লৰাই কোনো দিনে কাম নাপায়। এই দৰঙৰ মানুহখিনিয়ে নিজৰ

দেশ দেশ বুলি দৃঢ় বিশ্বাস কৰে। কিন্তু যেতিয়া বিপদ আহে তেতিয়া Previlage নোহোৱা হৈ যায়, অসন্তুষ্টি আহে। সেই কাৰণে মই মাননীয় বিত্তমন্ত্ৰী. মাননীয় Industry মন্ত্ৰী আৰু মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ কৰো যেন দৰঙৰ Settlement ৰ বাবে, employment ৰ বাবে বিশেষ ভাৱে বিবেচনা কৰে।

Mr. Deputy Speaker— মাননীয় সদস্যই অনুগ্ৰহ কৰি আসন গ্ৰহণ কৰক।

Shri Azizur Rahman Choudhury— মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ নিবনুৱা সমস্যাটো সচঁাকৈয়ে জটিল হৈ পৰিছে, এই সমস্যাটোৱে পৰিস্থিতি আৰু জটিল কৰি তুলিছে। এই সমস্যা কেতিয়াও সমাধান কৰিব পৰা নাযাব যেতিয়ালৈ ৰাইজৰ সহায় সহযোগ পোৱা নাযাব।

এই নিবনুৱা সমস্যা ২ ৰকমৰ— কিছুমান শিক্ষিত আৰু কিছুমান অশিক্ষিত। এই দুয়োটা সমস্যা সমাধান কৰিবলৈ হলে আমাৰ দুয়োপক্ষৰ পৰা সহযোগৰ দৰকাৰ। উপাধ্যক্ষ মহোদয় আপুনি জানে অভাৱেই আৱিস্কাৰৰ মূল।

নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত Political Background থকা উচিত নহয়। আমাৰ নিবনুৱা সকল উপযুক্ত নহবও পাৰে সেইবুলি তেওঁলোকক উপযুক্ত নকৰি আন ঠাইৰ পৰা উপযুক্ত মানুহ আনি ইয়াত নিয়োগ কৰা কথাটো মই সমৰ্থন নকৰো। আমাৰ অনুপযুক্ত যি সকল ডেকা নিবনুৱা আছে তেওঁলোকক প্ৰশিক্ষণ দিয়াটো দৰকাৰ যাতে তেওঁলোক উপযুক্ত হৈ কামত ভৰ্ত্তি হব পাৰে।

ইয়াকে নকৰাৰ বাবেই আজি ডেকা লৰাবিলাকৰ নিবনুৱাৰ সংখ্যা বাঢ়ি গৈছে, বৰ দুখৰ কথা যে আমাৰ সৰু সৰু ডেকা লৰাবিলাকেও চাকৰীৰ ক্ষেত্ৰত দুৰ্নীতিৰ আশ্ৰয় লৈছে।

(সময়ৰ সংকেত)

তেওঁলোকে বাটে ঘাটে ইজনে সিজনক কেনেকৈ চাকৰী পালে এই বিষয়ে আলোচনা কৰে; অমুকক ২০০ তমুকক ৫০০ টকা দিহে চাকৰি পালে এই বিলাকে আমাৰ লৰা-ছোৱালী, আমাৰ উত্তৰাধিকাৰী সকলক Bad Poision কৰি পেলাইছে আৰু তেওঁলোক চাকৰীৰ পৰা বঞ্চিত হব লগা হৈছে।

অথচ আমাৰ লৰাবিলাকে হাল বোৱা কাম চাহৰ দোকান দিয়া কাম

আদি ভাল নাপায়, কাৰণ Govt. চাকৰী নাপালে জোতা, মোজা, পেণ্ট, কোট পিন্ধিব নোৱাৰে আৰু জোতা মোজা নিপিন্ধিলেও ঘিণ কৰে ; এতিয়া কথা হল নিজৰ কৰ্ত্তব্য নিজেই কৰিব লাগিব। প্ৰধান কথা হল খেতিয়কে অশেষ কষ্ট কৰি খেতি কৰিছে কিন্তু তাৰ উপযুক্ত দাম পাইছে নে নাই ? আমি দেখিছো যে, আজি ৩ টকাকৈ প্ৰত্যেক মোন মৰাপাটত কৰ লগায়। কোটি কোটি টকা Sale Tax আদায় কৰিছে সেই টকাবোৰ ক'ত গৈছে, আমাৰ ৰাইজে হলে সেই টকা নাপালে কিন্তু ব্যৱসায়ী সকলে সেই টকাবোৰ ভোগ কৰিছে।

Shri Bhubaneswar Barman— মাননীয় উপাধ্যক্ষ মহোদয়, নিবনুৱা সমস্যাৰ যিটো প্ৰস্তাৱ আহিছে এই প্ৰস্তাৱটো সমৰ্থন কৰি মই কব খুজিছো যে আজি গোটেই অসমত এই যিটো এটা নিবনুৱা সমস্যাই এটা বিৰাট ৰূপ ধাৰণ কৰিছে। ইয়াৰ যদি প্ৰকৃত সমাধান পথ চৰকাৰে উলিয়াব নোৱাৰে তেতিয়াহলে ই ভৱিষ্যতে ঘোৰ আতঙ্ক আৰু এটা ভয়াবহ ৰূপ ধাৰণ কৰিব। ইয়াৰ মূলতে ভুল শিক্ষা নীতি, এই ভুল শিক্ষা নীতিৰ কাৰণেই নতুন সমস্যাৰ সৃষ্টি হৈছে। শিক্ষিত লোক সকলে যদি শিক্ষাৰ মৰ্য্যাদা নাপায় তেনেহলে তেওঁলোকৰ অইন ৰাস্তা নাই।

আন এটা সমস্যা হৈছে মাটিৰ সমস্যা, সেই কাৰণে খেতিয়কে খেতি কৰিব পৰা নাই। উদ্যোগৰ নামত বহুতো খেতিয়কৰ মাটি উচ্ছেদ হৈছে। ফলত সেইলোকসকলৰ মাজতো এটা ঘোৰ সমস্যাৰ সৃষ্টি হৈছে। নিবনুৱা লোকৰ সংখ্যা যিটো চৰকাৰী হিচাবমতে দিছে প্ৰায় ১৩/১৪ লাখ সেইটো Reportটো প্ৰকাশ পাইছে। ২।৩ বাৰ পৰিকল্পনা হৈ গ'ল কিন্তু নিবনুৱা সমস্যা বাঢ়িহে গৈছে আৰু ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে এইবিলাক ভুল পৰিকল্পনা।

এখন দেশ সমাজবাদী সমাজ বুলি পৰিগণিত হব নোৱাৰে, যদিহে সেই অনুপাতে জনসাধাৰণ শিক্ষিত নহয় বা জনসাধাৰণে কৰ্ম্মসংস্থান নাপায়। আজি গৰীব সকলৰ যদি অন্নসংস্থান নহয় তেন্তে শষ্যশ্যামলা জনম ভূমি বুলি তেওঁলোকে কেনেকৈ স্বীকাৰ কৰিব আৰু তেওঁলোকক বাদ দি সমাজবাদী সমাজ কেতিয়াও প্ৰতিষ্ঠা হব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, এই বিধান সভাৰ মজিয়াত মই কেবাবাৰো কৈছিলো যাতে চাকৰীৰ ক্ষেত্ৰত Treasary Chalan দিয়া পদ্ধতিটো উঠাই দিয়ে। আমাৰ আজি যি সকল গৰীব খেতিয়কৰ লৰা বা সাধাৰণ মানুহে কব তুবেলা

খাবলৈ নাই তেওঁলোকে কেনেকৈ ৩০।৪০ টকা খৰছ কৰি Treasary Chalan জমা দি চাকৰী পায়। এখন দৰ্খাস্ত দিবলৈ এজন লৰাই ঘৰৰ সম্পত্তি বিক্ৰী কৰি Treasary Chalan দিয়াটো বৰ পৰিতাপৰ কথা আৰু ই পৰিয়ালৰ কাৰণে ক্ষতিকৰ। এই বিধান সভাৰ মজিয়াত এই বিষয়ে কেবাবাৰো কোৱা হৈছিল কিন্তু বিত্ত মন্ত্ৰী মহোদয়ে তালৈ কোনো কৰ্ণপাত নকৰিলে।

বৰ্ত্তমান অৱস্থাত Employment Fxchange ৰ যোগেদি নাম Register কৰা যিটো পদ্ধতি সেই পদ্ধতিটো আঞ্চলিক পঞ্চায়তৰ যোগেদি কৰিলে বেচি সুবিধাজনক হয় কাৰণ এই Employment Exchange ৰ নামত অযথা টকা পইচা খৰচ কৰাটো নিৰৰ্থক। আঞ্চলিক পঞ্চায়তৰ যোগেদি কৰিলে ব্যয় বহুত খিনি সংকোচ হব। নহলে এইদৰে শ্বিলং গুৱাহাটিলৈ অহা যোৱা কৰোতেই বহুত খিনি কষ্ট আৰু খৰচ অনাহকতে হয়।

আমাৰ চৰকাৰৰ ফালৰ পৰা যদি আঞ্চলিক পঞ্চায়তৰ ব্যৱস্থা কৰে আৰু এই আঞ্চলিক পঞ্চায়তৰ জৰিয়তে যদি লৰা বিলাকৰ নাম পঠোৱাৰ ব্যৱস্থা কৰে, তেতিয়াহলে আমাৰ শিক্ষিত ডেকাসকলে চাকৰি পোৱাৰ সুবিধা হব। যদি তেনেকৈ নকৰি অকল চিলং Employment Exchange ৰ যোগেদিহে ল'ৰা বিচাৰে, তেনেহলে চিলঙত থকা ল'ৰাবোৰহে চাকৰিত সোমাব পাৰিব; গুৱাহাটীৰ ল'ৰাবোৰে নেপায় আৰু ভৈয়ামৰ গোটেই লৰাই সেই সুবিধাৰ পৰা বঞ্চিত হব। গতিকে যি বিলাক অফিচত চাকৰি ওলায়, সেই বিলাক কেন্দ্ৰীয় চৰকাৰৰেই হওক বা ৰাজ্য চৰকাৰৰেই হওক এই আঞ্চলিক পঞ্চায়তৰ যোগেদি যদি নাম পঠোৱাৰ ব্যৱস্থা কৰে; তেতিয়াহলে গুৱাহাটীত থকা বিলাকেও পাব আৰু ভৈয়ামৰ প্ৰত্যেক অঞ্চলৰ ল'ৰাই চাকৰি পোৱাৰ সুবিধা হব।

তাৰ পাছত অধ্যক্ষ মহোদয়, আজি আমাৰ দেশত জনসংখ্যা বৃদ্ধি হৈছে বুলি চৰকাৰৰ কাগজে পত্ৰে ওলাইছে। গতিকে ভৱিষ্যতে জনসংখ্যা বৃদ্ধি নহবৰ কাৰণে চৰকাৰে জন্ম নিয়ন্ত্ৰনৰ ব্যৱস্থাটো ভালদৰে পৰিচালিত কৰিব লাগে।

আজি আমাৰ যি বিলাকত শিল্প আৰু উদ্যোগ গঢ়ি উঠিছে, তাত

হাজাৰ হাজাৰ অনা অসমীয়াই চাকৰি লৈ অনা অসমীয়াৰ কলনি কৰিছে। আৰু এই শিল্পোদ্যোগ বিলাকত যাতে অনা অসমীয়াৰ কলনি স্থাপিত হব নোৱাৰে তাৰ বাবে চৰকাৰে নজৰ ৰাখি এই বিলাকত অসমীয়া ল'ৰাৰ চাকৰিৰ ব্যৱস্থা কৰিবলৈ মই দাবী জনালো। কাৰণ তাৰ ফলত আজি আমাৰ মাজত আঞ্চলিক মনোভাৱ সৃষ্টি হৈছে। গতিকে এই বিলাকত দৃষ্টি ৰাখি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাছত আমাৰ অসমত যি বিলাক অঞ্চলত পিচপৰা সম্প্ৰদায় আছে, সেই বিলাকক চাকৰি দিয়াৰ বাবে যি ব্যৱস্থা আছে, সেই ব্যৱস্থা বিলাক কাৰ্য্যত পৰিণত কৰি পিচপৰা সম্প্ৰদায়ৰ দুখ দুৰ্গতি গুচাব লাগে। এইদৰে যদি সকলো ক্ষেত্ৰতে চৰকাৰে অগ্ৰসৰ হব নোৱাৰে তেতিয়াহলে অসমত কোনোদিনে শান্তি নহব আৰু অসমখন কোনোদিনেই উন্নতিৰ জখলাত উঠিব নোৱাৰিব।

( সময় সঙ্কেত )

মই ভাবো আমাৰ যিবিলাকত উদ্যোগ আৰু শিল্প গঢ়ি উঠিছে, সেইবিলাকত বাহিৰৰ মানুহক নিয়োগ কৰাৰ কাৰণে আৰু সংস্থাপন দিয়াৰ কাৰণে আমাৰ অসমীয়া থলুৱা লোকৰ সংস্থান নোহোৱা হৈছে আৰু তাৰ ফলত অসমৰ এই থলুৱা বিলাকৰ মাটি গল, ঘৰ গল সৰ্ব্বস্ব গল। কিন্তু সেই সকললোকৰ আজি পৰ্য্যন্ত শিক্ষিত লোকৰ দুই এজনৰো চাকৰি নোহোৱাত তেওঁলোক অসন্তুষ্ট হৈ পৰিছে। এই থলুৱা লোকেই বৰ্ত্তমান নিবনুৱা হৈ পৰিছে। গতিকে এই অসমীয়া থলুৱা লোকক চাকৰিৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধক ৰিলোঁ।

( সময় সঙ্কেত )

আৰু এটা কথা অধ্যক্ষ মহোদয়, মই চৰকাৰৰ ওচৰত দাবী কৰিছো যে শিল্পোদ্যোগত অসমীয়া নিবনুৱা লোকৰ সমস্যা সমাধান কৰিব নোৱাৰিলে এই উদ্যোগ বন্ধ কৰি দিয়ক; অসমীয়া লৰাক সংস্থাপন কৰিব নোৱাৰিলে পৰিকল্পনা উঠাই দিয়ক; অনাহকত অনা-অসমীয়া কলনি স্থাপন কৰিবলৈ হাঁহাকাৰ কৰিব নেলাগে। ইয়াকে কৈ মই মোৰ আসন গ্ৰহণ কৰিলো।

Mr. Speaker— আপোনাৰ সময় ৭ মিনিট।

Shrimati Lily Sengupta— অধক্ষ্য মহোদয়, নিবনুৱা সমস্যাৰ

উপৰত উত্থাপন কৰা Motion উপৰত আমাৰ মাননীয় সদস্য সকলে যি বিলাক বিষয়ে উল্লেখ কৰিছে মোৰ বোধেৰে তাৰ দ্বাৰা চৰকাৰে এটা ভাল ব্যৱস্থা লবলৈ সক্ষম হব। মই আগতো বহুতবাৰ সদনত কৈছিলো আৰু আজি আকৌ কওঁ যে আমাৰ যিবিলাক চৰকাৰী আৰু বে-চৰকাৰী উদ্যোগ আছে, এই উদ্যোগৰ নিয়োগৰ ক্ষেত্ৰত এটা স্পষ্ট নীতিলৈ শতকৰা ৮০ ভাগ স্থানীয় লোকক নিয়োগ কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিব। এতিয়া আমাৰ চৰকাৰে শিক্ষা নতিশ Appentis Schame কৰি যি বিলাক যুবকক শিক্ষা দিবৰ কাৰণে প্ৰচেষ্টা কৰিছে, সেইটো মই ভাল পাইছোঁ। কিন্তু এই দৰে শিক্ষা দিয়াৰ সংখ্যা বৰ কম। গতিকে এই শিক্ষাৰ Schame মতে সংখ্যা আৰু বৃদ্ধি হয়, তাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলোঁ।

মই জানো যে চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আমাৰ লগত একমত আৰু এই সমস্যা সমাধানৰ বাবে আগৰ পৰাই চৰকাৰে চিন্তা কৰি আহিছে আৰু য'তদুৰ পৰা যায় চেষ্টা কৰিও আহিছে। কিন্তু এইহাতে যেনেকৈ চৰকাৰৰ গধুৰ দায়িত্ব আছে, তেনেকৈ নিবনুৱা সমস্যা সমাধান কৰাটোও চৰকাৰ-ৰেই একো একোটা দায়িত্ব। এই দায়িত্ব পালন কৰি মিমাংশা কৰিব নোৱাৰিলে আমাৰ এই নিবনুৱা সমস্যাই ভৱিষ্যতে সাংঘাতিক ৰূপ লব পাৰে। চৰকাৰী কাম হিচাবে আমাৰ P. W. D. আৰু E. & D. department আছে, প্ৰত্যেক বছৰ বহু কোটি টকাৰ কাম হয়, কিন্তু এই কাম পদ্ধতি হৈছে, যি জনে বেছি হাৰত Tender দিব তেওঁক হে দিয়া হয়। একোটা মথাউৰী বা বান্ধত ৫০,০০০ পঞ্চাচ হেজাৰ কেৰা লাখলৈতে প্ৰজেক্ট লোৱা হল, সেই কাম যদি সৰু সৰু খণ্ড, হিচাবে দিব পৰা যায় ( অন্তত গ্ৰাম্য অঞ্চলৰ বাট পথ আৰু মথাউৰী ) তেনেহলে আমাৰ শিক্ষিত মধ্যবিত্ত লোকে কাম পাব পৰা হব, লগতে শতকৰা 20%. ভাগ টকা কামৰ অগ্ৰগতিৰ লগে লগে দিব লাগে।

উদাহৰণ স্বৰূপে মই ডিব্ৰুগড়ৰ কথা কব খোজো, তাত E. & D. আৰু P. W. D. সৰু সৰু প্ৰজেক্ট বিলাক স্থানীয় লোক দিছে, অৱশ্যে ভাল কৰ্ম্মচাৰী দায়িত্বশীল কৰ্ম্মচাৰী সকলেহে এনে সহায় কৰে আনহাতে এনে কথাও দেখা যায় যে, অনুন্নত আৰু অনুসূচীত সম্প্ৰদায়ৰ লোকৰ কাৰণে কিছুমান বিশেষ সুবিধা ৰাখি এনে contract আদিত সহায় কৰিবলৈ চৰকাৰে Circuler দিছে, দুখৰ বিষয় সেই Circuler বিলাক ফাইলত হে আছে কামত খটোৱা নাই, কাৰণ

তাত ন্যস্তস্বাৰ্থত হানি হয়।

এইদৰে মীনমহল বিলাক ক্ৰমে ধনী ব্যৱসায়ীৰ হাতত সোমাই পৰিছে। কাৰণ চৰকাৰে সিদ্ধান্ত কৰিছে সমবায় ছছাইটি বিলাকক হে মহল দিয়া হব। কিন্তু চৰকাৰে এই সিদ্ধান্ত লোৱাৰ ফলত ধনী ব্যৱসায়ীসকলে সমবায় গঢ়িলে আৰু আওপাকে এই মীনমহল বিলাক প্ৰকৃত মৎস্য ব্যৱসায়ীৰ হাতৰ পৰা ধনী ব্যৱসায়ীৰ হাতত গল, কাৰণ এটা মীনহলৰ মূল্য নিৰ্দ্ধাৰণ হ'ল লাখ টকা ৫০,০০০ হেজাৰ টকা তাকে নকৰি সৰু সৰু খণ্ড কৰা হলে আৰু এই সমবায়ক ঋণ দিব পাৰিলে বহুলোকে নিযুক্তি পালে হেতেন।

মই আকৌ কওঁ যে, ক্ষুদ্ৰ উদ্যোগৰ ডাইৰেষ্টকেইটো পুনৰ সংগঠণ কৰি কামৰ দায়িত্ব ধাৰ্য্য কৰিব লাগে, কাৰণ উদ্যোগ বিভাগৰ আজিৰ মনোবৃত্তি হৈছে, লাখ টকা আৰু কোটি টকা, বেছি টকীয়া শিল্পপতিৰ বা উদ্যোগপতি সকলে নিজে পৰিকল্পনা কৰে ব্যৱসায় বুজে, গতিকে তেওঁলোকৰ কাৰণে ইমান চিন্তা নাই, কিন্তু কৰ্ম্মচাৰী সকলে তাতে ব্যস্ত, কিন্তু সাধাৰণ আৰু কম টকাৰ ক্ষুদ্ৰ উদ্যোগৰ বাবে এওঁলোকৰ কোনো যত্ন বা পৰিকল্পনা আমি নেদেখিলো গতিকে ক্ষুদ্ৰ বা গৃহ উদ্যোগৰ অৱস্থা উন্নত হব পৰা নাই।

গতিকে এই বিভাগৰ দায়িত্ব গধুৰ, আৰু মাননীয় শিল্পমন্ত্ৰীয়ে এই বিষয়ে তৎপৰতাৰে ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

Shri Matilal Nayak— মাননীয় উপাধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সম্বন্ধে বহুজনে বহু কথাই কলে। কিন্তু কৰোতে কি হৈছে। বাস্তৱ অৱস্থাত আমি কি দেখিবলৈ পাইছো? নিবনুৱা সমস্যা আগতকৈও বাঢ়িহে গৈছে। এতিয়া কথা হৈছে— এই নিবনুৱা সমস্যা বাঢ়ি যোৱাৰ Main root টো কি? মোৰ মতে এই ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ কাৰণে একমাত্ৰ দায়ী কেৱল আমাৰ ভুল শিক্ষা পদ্ধতি। শিক্ষাৰ সৰ্ব্বনিম্নধাপ আমাৰ পাঠশালা স্কুলৰ পৰাই— আমাক এনেকুৱা শিক্ষাৰে গঢ় দি তোলে যাৰ ফলত আমি নিজৰ ভৰিতে নিজে ঠিয় দিব নোৱাৰা হওঁ। পৰৰ ওপৰত ভৰষা কৰি থাব লগা হওঁ। সেই কাৰণেই নিবনুৱা সমস্যাই আজি বৃহৎ আকাৰ ধাৰণ কৰিছে। আজি দেখা যায় যে যদি আমাৰ ডেকা লৰাবিলাকে প্ৰাথমিক শিক্ষাৰ স্তৰৰ পৰাই উপযুক্ত শিক্ষা পাই আহিল হেঁতেন তেন্তে আজি তেওঁলোকৰ

* Speech not corrected

চাকৰিৰ বাকৰিৰ ক্ষেত্ৰত এই হাঁহাকাৰ অৱস্থাৰ সৃষ্টি নহলহেঁতেন। মেধাবীহলেও তেওঁলোকে কোনো ভাল উৎসাহ উদ্দীপনা নেপায় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ্বলৈ। কাৰণ তেওঁলোকে জানে যে তেওঁলোকে পৰীক্ষাত 1st Class পালে ও কোনো লাভ নাই। কাৰণ মন্ত্ৰী আদি বৰমুৰীয়া সকলৰ লৰা-ছোৱালী আদিয়ে Second Class পালেও চাকৰী পাবই। এই বিলাক কাৰণতেই ডেকা চামৰ মাজত আজি শিক্ষাৰ প্ৰতি আগ্ৰহৰ অভাৱ পৰিলক্ষিত হৈছে।

দ্বিতীয়তে Industry আদি খোলাৰ ক্ষেত্ৰত চাওক। অসমৰ থলুৱা মানুহেও কোনো এটা Industry খুলিবলৈ লৈ তাৰ Grant ৰ কাৰণে Officer ৰ ওচৰে ওচৰে ঘূৰি ফুৰিব লগা হয়। অথচ তেওঁলোকে সেই Offlcer বিলাকৰ পৰা ভাল ব্যৱহাৰ নেপাই। কাৰণ সেই Officer বিলাকৰ প্ৰায়ভাগেই অসমৰ বাহিৰৰ লোক— তেওঁলোকে অসমীয়া বুজি নেপায়: তেওঁলোকক কথা বুজাবলৈ হলে English বা Hindi ত কথা কব পৰা হব লাগিব। গতিকে এই অসুবিধা সমুহৰ কাৰণে আমাৰ মানুহে তেওঁলোকৰ ওচৰত নিজৰ মনৰ ভাৱ ব্যক্ত কৰিব নোৱাৰে।

আমি Suggestion দিওঁ আমাৰ নিবনুৱাৰ প্ৰকৃত সংখ্যা কিমান আছে তাক নিৰ্দ্ধাৰণ কৰি তাৰ সমাধানৰ কাৰণে যথোচিত ব্যৱস্থা লবৰ কাৰণে। এই Assambly এ Committee ও পাতি দিয়ে কিন্তু তেওঁলোকৰ Report ত কি আছে সেইটো আমাক জানিবলৈ নিদিয়ে। আজি আঠৈ বছৰৰ অভিজ্ঞতাৰ পৰা দেখিবলৈ পাইছো যে আমি যিবিলাক পৰামৰ্শ Opposition ৰ Member সকলৰ পৰা বিভিন্ন সমস্যাৱলী সমাধানৰ কাৰণে দিওঁ কিন্তু আমাৰ শাসনত অধিষ্ঠীত কংগ্ৰেছ চৰকাৰে সেইবিলাক শুনি যায় অথচ তাৰ Remedy ৰ কাৰণে কোনো তৎপৰ ব্যৱস্থা হাতত নলয়। গতিকে আমাৰ আৰু বেছি কথা কৈ লাভ নাই। মাত্ৰ চৰকাৰক এইটো কথা কব বিছাৰিছো যে যিসকল ডেকাই ভালদৰে পাছ কৰিও বহি থাকিব লগা হৈছে তেওঁলোকৰ এটা সঠিক সংখ্যা নিৰ্দ্ধাৰণ কৰি তেওঁলোকক চাকৰি বাকৰি আদি দিয়াৰ ব্যৱস্থা কৰক।

University ৰ পৰা বছৰি বছৰি list বাহিৰ হৈ আছে— নিবনুৱা বাঢ়িব নে বা নেবাঢ়ে। কিন্তু আমাৰ চৰকাৰে ইচ্ছাকৃত ভাৱেই নিবনুৱা বঢ়াইহে আছে। উদাহৰণ স্বৰূপে কওঁ সৌ Statistic Department তে শ্ৰীসাৰদা

শৰ্ম্মা যোৱাৰ পৰা তাত অফিচাৰেই নাই। Temporary Basis তOfficer এজনক দি থৈছে। তাত যদি এজন officer নিয়োগ কৰিলেহেঁতেন তেন্তে জানো এজননিৰনুৱা নকমিল হেঁতেন ?

অন্যহাতেদি আজি ২২½ বছৰে M. L. A. সকলে শ্বিলঙত আহি গৱৰ্ণমেণ্টৰ ভাট্টালৈ M. L. A. গিৰি কৰি থাকিব লগা হৈছে। কি লাভ আছিল আজি চৰকাৰৰ ভাট্টালৈ ১০ টাৰ পৰা ২২½ বজালৈকে ইয়াত M. L. A গিৰি কৰাৰ ? শ্বিলঙত নাই ঘৰ দুৱাৰ, নাই কথা, নাই বতৰা। M. L. A. সকলো নিৰনুৱাৰ ভিতৰতেই পৰে।

মহোদয়, আমাৰ নিজৰ ভিতৰতেই নিৰনুৱাৰ সংখ্যা কেনেকৈ বঢ়াইছে চাওঁক। আমাৰ বৰ্ত্তমান মাননীয় সদস্য শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী দিল্লীত M. P. হৈ আছিল। ভালেই আছিল ইয়াতো এজন নিৰনুৱাৰ এটা সংস্থান আছিল। তদুপৰি এনেয়েটো অসমৰ নিৰনুৱাই বাহিৰত চাকৰি বাকৰি প্ৰায় নেপায়েই। কিন্তু শেষত দেখা গ'ল যে তেখেতে এজন নিৰনুৱাৰ ভাত মাৰি আহিল। ইয়াত M. L. A. গিৰি কৰিবলৈহে।

Shri Ajijur Rahman Choudhury— M. L. A, গিৰি চাকৰি হিচাবে গণ্য নহয়।

Shri Matilal Nayak— উপাধ্যক্ষ মহোদয়, নিৰনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আঞ্চলিক পঞ্চায়তৰ ওপৰত নিৰ্ভৰ কৰাৰ এটা কথা হৈছে। কিন্তু এই ক্ষেত্ৰত কওঁ যে এই ক্ষেত্ৰত আমাৰ Panchayat বিলাকৰ ওপৰত বিশ্বাস কৰা যায় তেনেহলে গণতন্ত্ৰৰ বৰনাওঁ ডুবাবলৈ এমাহ সময়ো নেলাগিব।

মাটি বিতৰণৰ ক্ষেত্ৰত যাতে সুবিচাৰ কৰিব পৰা হয় তাৰ কাৰণে মাটি হীনৰ প্ৰকৃত List তৈয়াৰ কৰিবলৈ Panchayat ক ভাৰ দিয়া হয়। এই ক্ষেত্ৰত M. L. A. সকল জড়িত নাছিল। ফলত একশ্ৰেণী স্বাৰ্থ প্ৰণোদিত লোকৰ প্ৰৰোচনাত পৰি Panchayat বিলাকে এক সাংঘাটিক পৰিস্থিতিৰ সৃষ্টি কৰিছে যাৰ ফলত প্ৰকৃত মাটিহীন লোকৰ পৰিবৰ্ত্তে একশ্ৰেণী মাটি থকা মানুহহে মাটিহীনৰ তালিকাত স্থান পাইছে। ফলত এই List বিলাকত শতকৰা ৮০ ভাগেই ভুল ওলাইছে। উদাহৰণ স্বৰূপে অন্যান্য ঠাইৰ লগতে মোৰ সমষ্টিতে এইটো ঘটিছে।

নিৰনুৱা সমস্যা-সমাধানৰ ক্ষেত্ৰত মই চৰকাৰক এটা পৰামৰ্শই আগবঢ়াব খোজো যে অতি শীঘ্ৰে চৰকাৰে আমাৰ বৰ্ত্তমান নিম্নগামী শিক্ষাৰ আমূল পৰিবৰ্ত্তন কৰিব লাগে আৰু তাকে মূলধন হিচাবে লৈ নিৰনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ চৰকাৰ আগবাঢ়ি যাব লাগে। ইয়াকে কৈ মই মোৰ আজিৰ বক্তব্য ইমানতে সামৰিলো।

Shri Bhumidhar Barman - উপাধ্যক্ষ মহোদয়, দেশৰ ক্ৰমবৰ্দ্ধমান নিৰনুৱা সমস্যাটো সঁচাকৈয়ে এটা মনোযোগ দিবলগীয়া বিষয়। আমাৰ চৰকাৰে এই সমস্যা সমাধান কৰিবৰ কাৰণে চেষ্টা কৰিছে যদিও কাৰ্য্য ক্ষেত্ৰত ই হৈ উঠা নাই। অৱশ্যে আমি আশাকৰা মতে হোৱা নাই। আমাৰ নিৰনুৱা সকলৰ ভিতৰত শিক্ষিত নিৰনুৱা আৰু অশিক্ষিত নিৰনুৱা দুয়ো শ্ৰেণীয়েই আছে। মই এতিয়া এই বিষয়েই দুআষাৰ মান চৰকাৰক কবলগীয়া আছে। আজি সঁচাকৈয়ে আমাৰ অসমৰ উন্নতিৰ কাম ভালেখিনি হৈছে। আৰু তাত বহু মানুহৰ কৰ্ম্ম সংস্থানো হৈছে। ৰাস্তা বন্ধাই হওঁক বা ঘৰ বন্ধাই হওক বা অন্যান্য যিবিলাক কাম হৈছে তাত যি খিনি সুবিধা দিয়া হৈছে সেই সুবিধা বিলাকত আমাৰ অসমীয়া মানুহে কাম কৰিব নোৱাৰে। ফলত বাহিৰৰ মানুহ আহি এই কামবোৰত ভৰি যায়হি আৰু তেনেকৈয়ে বৃহৎ পৰিমানৰ ধন অসমৰ বাহিৰ হৈ যায়। গতিকে অসমৰ ধন যাতে এই দৰে বাহিৰ হৈ যাব নোৱাৰে আৰু আমাৰ মানুহে যাতে সুবিধাত সেই কামবোৰ কৰিব পাৰে তাৰহে ব্যৱস্থা চৰকাৰে হাতত লব লাগে। তদুপৰি আমাৰ যি সকল অশিক্ষিত নিৰনুৱা Protected Scheduled Caste ৰ লোক তেওঁলোকক শ্ৰমৰ যোগান ধৰিব পৰা নাই। আজি আমাৰ সদনৰ বাহিৰে ভিতৰে এটা দাবী উঠিছে যে মাটিহীন লোকক মাটি দিব লাগে। চৰকাৰেও এই ক্ষেত্ৰত বাৰে বাৰে কৈ আহিছে, মাটিহীনক মাটি দয়াৰ ইচ্ছা কৰিছে যদিও কাৰ্য্যক্ষেত্ৰত মাটিহীনে মাটি পোৱা নাই।

এই ক্ষেত্ৰত আমাৰ যি সকল ৰাজনৈতিক আৰু বিভিন্ন দলৰ নেতা আছে তেখেতসকলে যদি চৰকাৰৰ লগত সহযোগ কৰে তেনেহলে মোৰ বিশ্বাস চৰকাৰে আজি যি চেষ্টা কৰিছে সেই চেষ্টা অতি কম দিনতে ফলৱতী কৰিব পাৰিব আৰু অশিক্ষিত নিৰনুৱা লোকৰ কৰ্ম্মৰ যোগান হ'ব।

* Speech not corrected

এতিয়া মই যি সকল Scheduled Caste লোক তেওঁলোকৰ বিষয়ে কব বিচাৰিছো। আজি আমাৰ যি সকল Scheduled সম্প্ৰদায়ৰ লোক আছে তেওঁলোকৰ বেছি ভাগ মানুহেই নিবনুৱা হৈ পৰিছে। তেওঁলোকৰ আগৰ পুৰণা যি মাছ মৰা ব্যৱসায় আছিল, তাৰে তেওঁলোকে জীৱিকা নিৰ্ব্বাহ কৰিছিল অৰ্থাৎ ধান, চাউল, নিমখ, তেল কিনে ইত্যাদি ইত্যাদি। আজি মাছ নাই-কীয়া হৈছে আৰু নদীবোৰ শুকাই গৈ খেতিৰ মাটিত পৰিণত হৈছে। যি দুই চাৰিখন বিল আছে তাৰ দ্বাৰা তেওঁলোকে জীৱিকা নিৰ্ব্বাহ কৰিব নোৱাৰা হৈছে। সেই কাৰণে মই কব খুজিছো চৰকাৰে যেন এই মাছ মৰা মানুহ বোৰক মাছ মৰা Society ৰ যোগেদি চৰকাৰে সুবিধা দিব লাগে। কিন্তু এই ব্যৱসায়ী সকলে বিল পালেও ধনীলোকক যিমান সুদ দিব লগীয়া হয় তাতেই তেওঁলোক জুৰুলা হৈ পৰে আৰু ফলত কিছুমান Society ভাঙি যায়। চৰকাৰে মাছমৰা Society আৰ্থিক সাহাৰ্য্য দিয়াৰো বন্ধবস্ত কৰিব লাগে।

আমাৰ যি সকল শিক্ষিত ডেকা লৰা আছে তেওঁলোকে চাকৰী বিচাৰি হাবাথুৰি খাই ফুৰে। এই Assembly Hostel তে আমি তাৰ প্ৰমাণ পাইছো। ৰাতি-পুৱা শুই উঠি চকু মোহাৰিয়েই চাকৰি বিচাৰি আহি দেখা কৰিবলৈ ৰৈ থকা অনেক লৰা আমি দেখা কৰিবলৈ পাওঁ। চৰকাৰে ডাঙৰ ডাঙৰ Agricultural Farm খুলি এই শিক্ষিত নিবনুৱা সকলক নিয়োগ কৰিব লাগে।

আমাৰ চাকৰীৰ ক্ষেত্ৰত এটা কথা আমি দেখিবলৈ পাইছো যে নিয়োগৰ বেলিকা আমাৰ থলুৱা লোকসকল বঞ্চিত হৈ পৰিছে। কাগজে পত্ৰই ও এই কথা আমি সদায় পঢ়িবলৈ পাইছো। আজি থলুৱা লোকৰ স্বাৰ্থহানী হৈছে আৰু তেওঁলোক প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হৈছে। আনৰ কথা নকওঁৱেই আমাৰ Employment Exchange Director জনেই থলুৱা মানুহ নহয়। আনহাতে Electricity Board ত যি সকল চাকৰীয়াল আছে তেওঁলোকো বাহিৰৰ মানুহ। তেওঁলোকে ঠিকনা ইয়াৰ মানুহৰ C/o. দিয়ে সেই মতেই চাকৰী পায়। মই চৰকাৰৰ ওচৰত নিবেদন জনাইছো চৰকাৰে যেন ইয়াৰ এটা ভাল enquary কৰে। আজি আমাৰ লৰাই চাকৰী নেপোৱাতকৈও এইবোৰ কথাত বেছি অসন্তুষ্টি হৈ পৰিছে। গতিকে চৰকাৰে যেন এই বিষয়টোৰ প্ৰতি মনোযোগ দিয়ে। এইখিনি কথা কৈ মই মোৰ বক্তব্যৰ

সামৰনি মাৰিছো।

Shri A. N. Akram Hussain— উপাধ্যক্ষ মহোদয়, অসমৰ থলুৱা লোকৰ নিবনুৱা সমস্যাৰ বিষয়ে আমাৰ সদনত বহুতো আলোচন হৈ গৈছে। কিন্তু মোৰ সন্দেহ হৈছে চৰকাৰে এই কথাবিলাক চিন্তা কৰি চাই নে নাচায়, আৰু অসমৰ থলুৱা লোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এক খোজ আগবাঢ়ি যাবৰ কাৰণে চৰকাৰে কিবা আঁচনি লৈছে নে নাই ?

অসমত আজি "পেট্ৰ কেমিকেল কমপ্লেক্স আদি নানান উদ্যোগ গঢ়ি উঠিব আৰু উঠিছে। কিন্তু এই উদ্যোগৰ প্ৰতিস্থা কৰাৰ নামত "অসমত অনা অসমীয়াৰ "কলনি" হে প্ৰতিষ্ঠা হৈছে।" এইদৰে অনা অসমীয়াৰ "কলনি" প্ৰতিষ্ঠা হলে অসমৰ অৱস্থা কি হব সেইটো আমি সকলোৱেই উপলব্ধি কৰিব পাৰিছো। আজি সেই অৱস্থাৰ উপশম ঘটাবৰ হলে তাৰ দায়িত্ব বহন কৰিব লাগিব শাসনত অধিষ্ঠিত লোক সকলে। চাকৰীৰ বেলিকা আমাৰ থলুৱা মানুহৰ শতকৰা ৯০ ভাগ মানুহ নিয়োগ কৰিব লাগিব। কিন্তু মই "অসমত দুদিনমান থাকি ৰিক্সা চলাই তথাকথিত অসমীয়া হোৱা লোকক" থলুৱা বুলি কোৱা নাই। অসমতে জনম লৈ ডাঙৰ হোৱা লোককহে মই থলুৱা মানুহ বুলিছো। শ্ৰীমোৰাৰজী দেশায়ে এবাৰ গুৱাহাটীত কৈছিল যে যেতিয়া তেওঁ Chief Minister আছিল তেতিয়া উদ্যোগ পতিসকলক কৈছিল যে মহাৰাষ্ট্ৰত উদ্যোগ পাতিব লাগিলে তাত মহাৰাষ্ট্ৰৰ শতকৰা ৭০/৭৫ ভাগ মানুহ লব লাগিব। যদি শ্ৰীমোৰাৰজী দেশায়ে এনে কৰিব পাৰে তেন্তে আমাৰ শাসনত অধিষ্ঠিত অতি উদাৰ নেতা সকলে কিয় এনে কৰিব নোৱাৰে ? মই এইখিনিতে এটা কথা কব খুজিছো যে মহাৰাষ্ট্ৰৰ দৰে আমাৰ ইয়াতো উদ্যোগ পাতিবলৈ যি সকল উদ্যোগপতি আহে তেওঁলোককো কব লাগিব যে শতকৰা ৮০ ভাগ থলুৱালোকক চাকৰী দিব লাগিব যদি সেয়ে নহয় তেন্তে তেওঁলোকক বঙ্গাইগাঁৱৰ পৰাই ওভোটাই পঠাব লাগে।

মই বঙ্গাইগাঁৱৰ কথা কওঁতে মাননীয় সদস্য কেইজনমানে ভালেই পাইছে। লগতে প্ৰশাসনৰ কথাও কওঁযে অসমত ইমান বহিৰাগত লোক চৰকাৰ আৰু উদ্যোগপতি সকলে আমদানী কৰিছে যে তেওঁলোকৰ ষড়যন্ত্ৰতেই অসমত নিবনুৱা সমস্যা সমাধান ব্যৰ্থ হৈ পৰিছে। সেই কাৰণে অধ্যক্ষ মহোদয়,

মই চৰকাৰক দাবী জনাই কব খুজিছো, যে চৰকাৰে যেন আমাৰ শিক্ষিত নিৱনুৱা সকলক কৰ্ম্মৰ সংস্থান দিয়ে অন্যথা যেতিয়ালৈকে তেওঁলোকৰ কৰ্ম্মসংস্থান নহয় তেতিয়ালৈকে তেওঁলোকক এটা ভাট্টা দিয়াৰ ব্যৱস্থা কৰে।

Mr. Deputy Speaker— মাননীয় সদস্যই আসন গ্ৰহণ কৰক।

Shri Moneswar Baro— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নিৱনুৱা শিক্ষিত ডেকাসকলক চাকৰী দিয়াৰ পৰিবৰ্ত্তে তেওঁলোকৰ পৰা Indirectly কিছুমান Income হে কৰিছে। Treasury Challan লৈ কত হাজাৰ হাজাৰ টকা চৰকাৰে সংগ্ৰহ কৰিলে এই বিষয়ে জানিবৰ উদ্দেশ্যে ১৯৬৭ চনৰ পৰা এই বিধান সভাত প্ৰশ্ন কৰি আহিছো কিন্তু তাৰ উত্তৰ দিব পৰা নাই। ইয়াত নিশ্চয় কিবা ৰহস্য আছে। আমাৰ মাননীয় সদস্য সকলে কৈছে যে আমাৰ থলুৱা ডেকাসকলে চাকৰী কিয় পোৱা নাই তাৰ নিশ্চয় ষড়যন্ত্ৰ আছে। যিহেতু এই লৰাছোৱালী সকলৰ পৰা এটা income ৰ ৰাষ্টা। এইটো মোৰ বিবেচনাই কৈছে।

আমাৰ মেধি ডাঙৰীয়াই কৈছে যে Employment Exchange যে নিৱনুৱা লোকৰ সংখ্যা খুজোতে দিব নোৱাৰে। ইয়াৰ পৰা বুজিব পৰা যায় Employment Exchange ক এই চৰকাৰে কৈ থৈ দিছে হিচাব নিদিবলৈ। কিয়নো তেতিয়াহলে income source টো বন্ধ হৈ যাব। মই এই সম্পৰ্কে এটা Question কৰিছিলো Unstarred Question ৰহগাই জানিবলৈ।

Unstarred Question No. 10

Whether the Government is aware that job-seekers have been frustrated for their failure to get before they cross the age limit ?

তাৰ উত্তৰত অসম চৰকাৰে স্বীকাৰ কৰিছে।

There are a number of educated employment seekers who cross the age limit prescribed both by State and Central Government for clerical posts. Due to this age restriction, these employment seekers cannot submitted against the

Central and State Government vacancies. As a result employment seekers are apt to be frustrated.

তাৰ কাৰণে দায়ী কোন ? এই লৰা-ছোৱালী সকলে নিজৰ মাকৰ সোণৰ গহনা বিক্ৰী কৰি পঢ়ি আছিছে, দেউতাকৰ মাটি বিক্ৰী কৰি পঢ়ি আহিছে কিন্তু দুখৰ বিষয় অসম চৰকাৰে তেওঁলোকক চাকৰী দিব পৰা নাই। তাৰ কাৰণে দায়ী চৰকাৰ নহয় নে ? জন্ম দাতা মাক দেউতাকৰ নিচিনা অসম চৰকাৰৰো এই লৰাবোৰৰ ওপৰত এটা বিশেষ দায়ীত্ব আছে। আজি যি সকল লৰাৰ বয়স বাঢ়ি গ'ল চাকৰীও পোৱা নাই তেওঁলোকক কিবা এটা ঋণ দিয়াৰ ব্যৱস্থা নকৰে তেনেহলে তেওঁলোকে অন্য পথ অৱলম্বণ কৰিবলৈ বাধ্য হব। চুৰ বা ডকাইতি কৰিবলৈ এই লৰা সকলে সাহস কৰিব।

( Bell )

গতিকে যেতিয়ালৈকে তেওঁলোকে চাকৰী নাপায় তেওঁলোকক এটা সাহায্য দিয়াৰ বন্দবস্ত কৰক আৰু চাকৰী পোৱাৰ পাচত সেই টকাটো Installment Basis ত সেই টকাটো কাটি ৰাখিব। নহলে ই বিভীষিকাৰ ৰূপ লব মই চৰকাৰক warning দি থৈ দিলো।

Shri Atul Chandra Goswami— মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ নিশ্চয় মনত আছে আমাৰ অসমৰ খাদ্য সংকট সময়ত চাউলৰ সলনি ৰুটি খাবলৈ কোৱা হৈছিল। চাউলৰ পৰিবৰ্ত্তে ৰুটি খাই খাদ্য সমস্যাৰ সমাধান কৰিলে কিন্তু নিবনুৱা সমস্যা সমাধানৰ উপায় ক'ত ? আজি দেশৰ নিবনুৱা সমস্যাই ইমান উৎকৎ ৰূপ ধাৰণ কৰাৰ কাৰণ পঞ্চ বাৰ্ষিক পৰিকল্পনা ইতিমধ্যে হৈ গ'ল। এই পৰিকল্পনাবোৰ পুজিবাদী পৰিকল্পনা হৈছিল আৰু এই পুজিবাদ পৰিকল্পনাৰ ফলতে নিবনুৱা সমস্যা বাঢ়িহে গৈছে।

আমাৰ দেশত জনসংখ্যা বেছি আৰু মাটি কালি কম। সেই কাৰণে অন্য দেশৰ লগত খোজ মিলাই আমাৰ পৰিকল্পনা কৃতকাৰ্য্য কৰা সম্ভৱ নহয়। আমেৰিকা বা ৰাছিয়াৰ দৰে ঠাইত য'ত মাটি কালি বেছি তাৰ লগত পৰিকল্পনা মিলাবলৈ গলে তাৰ পৰা লাভবান নহয়। গতিকে আমাৰ দেশৰ পৰিকল্পনাবোৰ re-organisation কৰিবৰ ব্যৱস্থা কৰিব লাগে। নহলে আমি

যিমান চেষ্টাই নকৰো কিয় নিবনুৱা সমস্যাৰ সমাধান কৰিব নোৱাৰো।

আমাৰ আন এটা সমস্যা মাটি সমস্যা যিবিলাক সংৰক্ষিত মাটিত গৰীব খেতিয়ক সকলে বেদখল কৰিছে তাত উচ্ছেদ বন্ধ কৰিব লাগে। আৰু খেতিয়ক সকলক mechanise পদ্ধতিত খেতিকৰিবলৈ শিক্ষা ও সুবিধা দিব লাগে। মই আগতেও বিধান সভাত কৈছো যে এটা ভূমি সেনা গঠন কৰা হলে গোটেই অসমৰ প্ৰায় ৫০ হাজাৰ বিঘা মাটি সংৰক্ষিত হ'লহেতেন।

আজি আমাৰ যিবিলাক সৰু সৰু উদ্যোগ ভাত নিয়োগৰ ক্ষেত্ৰত আমাৰ কোনো Security নাই। ইয়াৰ কিবা এটা নিৰাপত্তা থকা হলে গোটেই অসমতে সদিয়াৰ পৰা ধুবুৰীলৈ অসমত ৫ হাজাৰ নিবনুৱা সমস্যাৰ সমাধান হ'ল হেতেঁন। আজি আমাৰ যি বিজুলি শক্তি তাক মাত্ৰ ৰাষ্টা পোহৰাবলৈহে বা আমাৰ Bathroom বা drawing room সজাবলৈহে আছে। কিন্তু ইয়াৰ সম্প্ৰসাৰণ খেতি পথাৰলৈ নিব পৰা হলেও কিছু সমস্যাৰ সমাধান হ'ল হেতেঁন।

( Bell )

সেই কাৰণে সময় থাকোতে চিন্তা কৰিব লাগে। ৰাস্তিপুৱা প্ৰশ্নৰ উত্তৰত ২৫ কোটি খৰচ কৰি আমাৰ দলং হব নোৱাৰে কিন্তু সদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ দৈৰ্ঘতালৈ চায় ব্ৰহ্মপুত্ৰৰ ওপৰত ৩ খন দলং হোৱাটো বিচাৰো। যোগিঘোপা পঞ্চৰত্ন ভোমোৰাগুৰিৰ এইন দলং হলে যোগাযোগৰ বিশেষ সুবিধা হব।

(Quorum Bell

মই আৰু ১ মিনিট মান কৈ শেষ কৰিম। আমাৰ অসমত প্ৰচুৰ পৰিমাণৰ ফলমুল উৎপাদন হয়, এই ফলমুলবোৰ ভালদৰে সংৰক্ষণ কৰি এইবিলাকৰ জৰীয়তে সৰুসুৰা উদ্যোগ বঢ়াব পাৰি যাৰ দ্বাৰাও নিবনুৱা সকলৰ সমস্যা কিছু সমাধান হব। আমাৰ ইয়াত নাৰিকল যথেষ্ট পৰিমাণে পোৱা যায়, কিন্তু আজি এই নাৰিকলৰ বাকলি আমি জাবৰৰ দৰে জুই লগাই দিও কিন্তু এইবোৰ নাৰীকলৰ বছী Coir matting আদি তৈয়াৰ কৰাত ব্যৱহাৰ কৰিব পাৰি আৰু যাৰ দ্বাৰা কিছুমান উদ্যোগ গঢ়ি উঠিব পাৰে। সেইবিলাকতো আমাৰ লৰাবিলাকক নিযুক্তি দিব পাৰি যাৰ দ্বাৰা আমাৰ নিবনুৱা সমস্যা বহু পৰিমাণে সমাধান হব পাৰে।

Mr. Speaker— আপোনাৰ সময় মাত্ৰ ৫ মিনিট।

Shri Kamini Mohan Sarma— উপাধ্যক্ষ মহোদয়, আমাৰ দেশত আজি নিবনুৱা সমস্যাই গুৰুত্ব পূৰ্ণ ৰূপ লৈছে। আজি আমাৰ দেশত ১৩/১৪ লাখ শিক্ষিত, অশিক্ষিত, অৰ্দ্ধশিক্ষিত নিবনুৱা ডেকা আছে। যোৱা ২২ বছৰৰ মূৰত নিবনুৱা সমস্যাই কি ভয়ঙ্কৰ ৰূপ লৈছে, সেইটো যোৱা ৩০ মাৰ্চত বিধান সভাৰ সন্মুখত যি বিক্ষুভ প্ৰদৰ্শণ হৈ গল সেয়ে প্ৰমাণ। আজি এই চৰকাৰেই সকলো যুৱকৰে মূৰ খাইছে। মই এইটো কব খুজিছো যে আমাৰ প্ৰকৃত ভাৱে, এই নিবনুৱা সমস্যা সমাধাৰ কাৰণে যি আঁচনি লব লাগে সেই মতে আঁচিনি লব পৰা নাই। আমাৰ ব্যক্তিগত ভাবে ·আঁচনি বিলাক নলৈ সামুহিক ভাবে লব লাগে।

আজি দেশ ৰক্ষাৰ কাৰণে পুলিচ বিভাগ আছে। এতিয়া আমাৰ দেশ গঠণ কৰাৰ কাৰণে এটা "দেশ গঠণ বাহিনী" তৈয়াৰ কৰিব লাগে। দেশত ৰাস্তা বন্ধাৰ কাৰণে, দলং সজাৰ কাৰণে, মাঠাউৰী বন্ধাৰ কাৰণে, আৰু দেশৰ বিভিন্ন কামৰ কাৰণে 'দেশ গঠণ বাহিনী' গঠণ হব লাগে। আৰু আমাৰ Employment Exchange বিলাকত নাম Register নকৰি সেই নিবনুৱা লোক সকল নামৰ তালিকা প্ৰত্যেক পঞ্চায়তে পঞ্চায়তে তৈয়াৰ কৰি চৰকাৰলৈ পঠাব লাগে। আমাৰ সমষ্টিত আমাৰ লৰাই কাম নাপায়, অথচ বাহিৰৰ পৰা মানুহ আহি ইয়াত ঠিকাৰ কাম পায় আৰু সেই বিলাক কামৰ পৰা আমাৰ লৰা বঞ্চিত হৈছে। আমাৰ মানুহে গৰু গাড়ীৰে কাম কৰিবলৈয়ো কাম নাপায়। আমাৰ মাটি খান্দি মাঠাউৰী বান্ধিছে অথচ কাম বিচাৰি মানুহে হাবু দাবু খাইছে। শিক্ষিত লৰাক কাম দিব পৰা নাই। আমাৰ ইয়াত উদ্যোগ হৈছে, Petro Chemical Complex হৈছে— ২য় তেল শোধনাগাৰ হৈছে আৰু যি বিলাক হব এই সকলোতে আমাৰ শতকৰা ৮০ ভাগ লৰাক চাকৰী দিব লাগে। আমাৰ Railway Divison ৰ কথা কি হ'ল, আমাৰ ৰাইজে একো নাজানে। লগতে এই Railway Division টো কি অৱস্থাত আছে সেইটোৰ কাৰণে ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা লব লাগে। আমাৰ ব্ৰড্‌গেজ লাইন ডিব্ৰুগৰলৈকে সম্প্ৰসাৰণ কৰিব লাগে। আমাৰ যি বিলাক ব্যৱস্থাৰ সম্প্ৰসাৰণ কৰিব পৰা যায় সেই বিলাক সম্প্ৰসাৰণ কৰিব লাগে যাতে আমাৰ লৰা বিলাকে

চাকৰী পায়। আমাৰ ৰাজ্য চৰকাৰৰ যিটো পৰিবহন বিভাগ আছিল সেইটোও আমাৰ চৰকাৰে নিজৰ হাতৰ পৰা এৰি দিলে। এতিয়া Corporation কৰিলে। তাৰ ফলত ড্ৰাইভাৰ, কণ্ডাক্টৰ বিলাক বঞ্চিত হল। উপাধ্যক্ষ মহোদয়, আপুনি এটা কথা শুনি আচৰিত হব যে আজি মই ৩ বছৰ চেষ্টা কৰিও এটা লৰাক Conductor ৰ চাকৰী এটা দিব নোৱাৰিলো। গতিকে Corporation হলেও যাতে আমাৰ লৰাবিলাকে চাকৰী পায়, আমাৰ চৰকাৰে সেইটো ব্যৱস্থা কৰিব লাগে।

আজি আমাৰ ভুমি নীতিৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে। কৃষিৰ আমোল পৰিবৰ্ত্তন হব লাগে। লগতে কৃষিৰ সম্প্ৰসাৰণ হব লাগে। আমাৰ ডেকা লৰাবিলাকক বৈজ্ঞানীক পদ্ধতিৰে খেতি কৰিবলৈ সুবিধা দিব লাগে। আমাৰ লৰা বিলাক কৃষি কামলৈ নোযোৱাৰ এটা কাৰণ হল যে কৃষক সকলে কৃষিজাত বস্তুৰ উপযুক্ত দাম নাপায়। গতিকে কৃষিজাত বস্তুত যেন উপযুক্ত দাম পায় তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ দেশত অপযাপ্ত পৰিমাণে মচুৰ দাইল উৎপন্ন হয়। কিন্তু যাতে এই মচুৰ দাইল আদি নানান কৃষি সামগ্ৰিত যেন উপযুক্ত দাম পাই তাৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ দেশত যি বিলাক সৰু সৰু বস্তুৰ ব্যৱহাৰ হয় সেই বিলাক আমাৰ দেশতে উৎপন্ন কৰিবলৈ ব্যৱস্থা কৰিব লাগে। আমাৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীয়ে কোৱাৰ দৰে নাৰিকলৰ পৰা হোৱা, যি বিলাক সৰু সৰু বস্তু যেনে ৰচী আদি যাতে আমাৰ দেশতে তৈয়াৰ কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। লগতে হিৰা, কমাৰ, আদিৰ ব্যৱসায় আদিও ৰক্ষা কৰিব লাগে ইয়াকে অনুৰোধ কৰি মোৰ বক্তব্য সামৰিলো।

Shri Biswadev Sarma (Minister Industries)— Mr. Speaker, Sir, I deem it my duty to apprise the House as to the industrial programme in our State during the Fourth Five-year Plan. Besides the Central Sector schemes, as I have detailed in the morning, the following industries we have planned for in collaboration with certain foreign Governments:—

1. Dehydration Plant at Gauhati for which we

have applied for industrial licencing.

2. Fruit Preservation and Canning Factory in Cachar.

3. We have also applied for industrial licence for manufacture of Glucose.

4. Collaboration agreement with West Germany for Power-Tillers and Agricultural Implements.

5. Industrial Licence application for the manufacture of Caustic Soda / Chlorine.

6. Technical Collaboration agreement with France for manufacture of Caustic Soda / Chlorine.

7. Technical Collaboration agreement with Japan for Synthetic Clue and Moulding Powder:

8. Technical Collaboration Agreement of Ashok Paper Mills Ltd., with France.

9. Industrial licence application for expansion of capacity by Ashok Paper Mills Ltd.

10. Industrial licence application for Vegetable Dehydration Piant from Bulgaria and Fruit Preservation Plant from Bulgaria.

11. Industrial licence application from Assam Industrial Development Corporation for Polyster Fibre.

12. Petro-Chemical Complex based on Assam Crude.

Besides these, the following industries are coming up in Assam in about one year :—

1. Class & Ceramics at Gauhati.
2. Mechanised Bricks at Gauhati.
3. Caffein at Jorhat.

4. Veneer Mills at Tezpur.

5. Khandsari Sugar Mill in North Lakhimpur.

6. Co-op. Khandsari Sugar Mill in Tezpur.

7. Calendering unit and Powerloom in Tezpur.

8. Mechanised Tannery & Timber treatment Plant in Cachar.

9. Meenaxi Wire Industries, Gauhati.

10. Expansion of Assam Carbon.

11. Co-op. Jute Mill at Silghat.

12. Rice Bran Oil Industry at Tezpur and Rowta.

13. Insecticide & Pesticide factory at Bongaigaon.

14. Misc. Industries like bakery, bricks. printing, press' Soap, Small engineering workshops etc.

Sir, recently the Supply Department has issued licence for 1500 huller and even if half of the number comes into existence than more than 2,000 people will be employed.

Sir I have made a rough estimate for these nine industries for which the application for licence is pending with the Government of India. There will be an employment potentiallty for 5000 people. The Petro Chemical Complex as per Prime Minister's statement will have an employment potentiality of 25,000 ( both skilled and unskilled ). This excludes expansion of Assam Cements, expansion of Namrup Fertiliser, establishment of Bokajan Cements and establishment of Central Sector Paper Mill in the Central Zone of Assam, The employment in these will be about 5,000. Thus all the industries which

are in course of approval by appropriate authorities would contribute to an employment of about 35,000 people. However most of the industries will only start employing from 1972 onwards. Besides these it will be appreciated that industries set up by the Government alone cannot solve the unemployment problem. The Government has recently amended some of the relevant provisions of the Assam Aid to Industries Act to enable it to give higher amount of loan to deserving local persons for starting small and cottage industries. The Government has also started a Credit Guarantee Scheme so that the deserving local persons with feasible and sound industrial scheme do not have to suffer for lack of funds to start industries. Most Banks are prepared to give loans on personal Security upto 75% to 80% of the capital required for starting Industries Under the Hire-Purchase system also such benefits are available for starting industries. But local youths suffer mostly from shortage of funds for initial investment. To help solve such problems a Credit Guarantee Scheme has been started by the State Government so that funds in suitable cases can be made available to enterprising local persons under the Scheme. In the case of Engineering Graduates, State Bank of India has adopted a scheme for giving loans upto Rs. 2 lakhas on personal security for starting industries, and Ministry of Petroleum and Chemicals has recently adopted a Scheme under which preference would be given to the Engineering and other unemployed Graduates in the matter of allotment of oil depots. It is hoped that local youths will

come forward to take advantage of all these facilities offered by the Government and the Banks for starting industries in the State and thereby not only help solve an unemployment problem but also contribute towards the economic progress of the State as a whole.

This is in a nutshell the programme for industrialisation of Assam, and we are trying to get more and more private participation in ind ıstries. These ore in f ›rmative stage, and that is why I have not mentioned, but the e are the industries coming up during the Fourth Plan period.

Shri Azad Ali— Paper Mill সমন্ধে কি কলে ?

Shri Bisawadev Sarma— Paper Mill যোগীঘোপাত দিছে।

Shri Maneswar Boro— ব্ৰহ্মপুত্ৰৰ উত্তৰ ফালে একেবাৰে বাদেই দিলে নে কি ?

Shri Biswadev Sarma— মানুহ উলিয়াওক তেতিয়া নিশ্চয় দিম।

(Voices ভূটানত মদৰ মহল কৰি দিয়ক।)

Shri Kamakhya Prasad Tripathi (Minister, Finance & Labour) - Mr. Deputy Speaker, Sir, the discussion which has taken place in the House has been, I am glad to say, non-partisan, that is, from the national point of view it has been tried to look at the problem, and, in my opinion, unemployment is a problem which can be solved only if we all combine together and keep our politics aside. Some people talked about revolution and violence. I hold that revolution and violence instead of solving the unemployment problem would fail to solve the problem. If there is one problem in which violence does not help it is in the case of un-employment. Therefore, in this

matter, less we talk about revolution and violence the better. Secondly the more we combine cutting out party politics the better. It is not a very easy task to solve this problem. Government alone will not be able to do. Some people compare our economy with that of the regimented Communist economy. In our country nearly 90% of the economy is in the private sector and only 10% of the hands of the public sector. How can completely control the question of employment of the country as a whole by managing only 10% of the economy when 90% is in the hands of the private sector. We may try to control it, but control is not easy. In a democracy further difficulty is the right to chose employment. Right to choose employment is the individual's choice. Nobody has a right to dictate to individual "Thou shall take this job". I was in Shanghai and I saw a train going out, and I was told that students and teachers were being sent by that train. I asked as to where they were going. The reply was that they were going to the villages. Those were students and teachers and why they were going. The reply was that they had been sent for agricultural work. In a Communist country that is possible. They were ordered and they had to go, but in our case we tried to make compulsory one year's service in the rural areas for the doctors before they get their degree, but we did not succeed because they would not agree. That is the difficulty in a democracy where neither the economy is under our control nor the choice of jobs is at our control. For instance it is said that the Government

shall give employment to everybody, but the question is if Government gives employment will the people take it ? Therfore, in a democracy utmost co-operation will be necessary so that by trial and error, by give and take, we are trying all the time to create employment, and at the same time trying to actciate people for employment. What I am saying is real hard fact. Hon'ble Members had said that all the blame for failure to solve the unemployment problem lies with the Government. I take the blame. But only to say that the Government is to be blamed for non-creation of jobs and our job is done, I think, that also is not correct. It would be necessary to fit in the psychology of the people for current jobs. Afterall what is happening ? We are gradually emerging from a feudalistic economy to a modern industrial economy. What does that change imply ? Everybody knows that capitalism destroyed feudalism because it was more efficient, and have because capitalism can not solve it problem therefore, it is to be destroyed. When we are going to industrial system it is necessary to create efficiency. Therefore, it is not possible to have a proper industrial system unless the whole psychology of the country is changed towards higher efficiency. Just to the people that Govt. by some sout of a protective device can reserve jobs cover is short this can be told to the Govt. but should not be told when people to the people you sh ould say well, look hear, hard days are coming, hard days of competition are ahead of you, and therefore you must prepare for the competition

so that you may establish a mark in the society. So, when subject is debated proper direction to the various sectors who are responsible for jobs and job evaluation should be correctly directed. That means to the job seekers we must tell them their duty— hard work is ahead, hard competition is ahead. Similarly to the Govt. it must be said that there may be transition period in which sufficient protective devices may be evolved and to the extent Govt. is able to evolve that should be done. Next question is how does employment arise ? It is a very important question. Employment means investment. I was just calculating that in the course of the fourth plan and the backlong the total requirement of jobs comes to 13 lakhs. That means if we create 13 lakhs job potential in that case we would be able to make up both for backlog as well as new entrants to the labour force. Supposing we want to create 13 lakhs jobs— now for one man in an industry atleast twenty thousand rupees' investment is necessary before a job is created for him. So, if we multiply this 13 lakhs by 20,000 then it comes to 26.00 crores— that is necessary for creating so much of jobs in the urban sector. Now, let us take the rural sector. Supposing we want to fit in 10 lakhs persons in agriculture. Now 10 lakhs person means 2 lakhs families. If we say that 20 p. c. of the family is in the secondary and tartiary sector in the rural areas then the land requirement to made for 1 lakh 16 thousand familes. Now multiply this—....... ( interruption )........

Shri Debeswar Sarmah— কিহৰ নিমিত্তে বিভীষিকাৰ সৃষ্টি কৰিছে ?

Shri Kamakhya Prasad Tripathi— বিভীষিকাৰ সৃষ্টি কৰি সদায় দেখাত আত্মগোপন কৰিছে।

Shri Debeswar Sarmah— মই নাহিলেই ভাল। আহিলেই কান খন ভহতহাই থাকে।

দৰং কলেজত Relapse কৰিছে। এইবিলাক এটা খিভীষিকাৰ সৃষ্টি হৈছে।

Shri Kamakhya Prasad Tripathi— বিভীষিকাৰ সৃষ্টি কৰি আপোনাক মই বিশৰূপ দৰ্শন কৰাব খোজা নাই। ভোটাতৰাৰ দৰে জিলিকি থকা সত্য কথাটো কৈছো। পাহৰা কথা সোৱৰাই দিয়াৰ বাবে ভাল পাইছো। আমাৰ Industry, Agriculture কৰিবলৈ হলে মূলধন লাগিব। The hon. Member himself says that we have no Capital. Investment কৰিব লাগিব। Co-operative Development হবলৈ হলে Resource লাগিব। অসম চৰকাৰে সিদ্ধান্ত কৰিছে, সেই মতে মোনে প্ৰতি আঠ অনা জমা থাকিব।

Md. Shamsul Huda— মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াৰ হিচাবটোত অলপখেলি মেলি হৈছে নেকি ?

Shri Kamakhya Prasad Tripathi— মই এটা ধাৰণা কৰি কৈছো। Project Report কৰিলে তেতিয়া ঠিক মতে কৰা হব Petro Chemical Complex ৰ কাৰণে ৯০ কোটি টকা Invest কৰা হব আৰু তাত job কৰা হব। এইটো এটা কথা হৈছে।

গতিকে Capital নহলে আমাৰ অসুবিধা হৈছে। একালে চাহ বাগিছা আনফালে Petrol, Limestone, Bamboo এই বিলাকৰ Industry কৰি job উলিয়াবলৈ হলে তাতো Capital Invest কৰিব লাগিব। আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই ঠিকেই কৈছে — যে Industry কৰিবলৈ হলে Capital লাগিবই। Refinary এটা হলে আৰু টাউন বিলাকত কিছুমান Industry যদি হয় তেতিয়াহলে job ওলাব সঁচা কথা কিন্তু সেই হিচাবে টকা Invest কৰিব নোৱাৰিলে সিও এটা সমস্যা হব। টাটা নগৰত Direct Employment

ৰ ফলত তাৰ ৭ লাখ জনসংখ্যাৰ ভিতৰত ৩ই লাখে তাত কাম পাইছে।

সেই কাৰণে আমাৰ যিবিলাক Plane সেই Plane বিলাকৰ যিটো Employment Poteutial তাত ৳ অংশ On Agriculture বাকীখিনিৰ Secondary Employment ৰ ভিতৰত। ইয়াৰ ওপৰি Refinary বা Petro Chemical বা আন Industry হলে তাত ২৫ হাজাৰ মানুহৰ Employment Peteutial হব। তাত বেলেগ ঠাইৰ মানুহো থাকিব। যিহেতুকে আমাৰ ইয়াত Trained মানুহ কিছুমান বিষয়ত নাই।

তাৰ কাৰণ আমাৰ ডাঙৰ কথা হল Capital ৰ দৰকাৰ আৰু এই Capital বাহিৰৰ পৰা নাহে। Capital ৰ কাৰণে......

Md. Samshul Huda— শোষণৰ সুবিধা কমি গ'ল নেকি ?

Shri Kamakhya Prasad Tripathi— শোষণৰ সুবিধা কমা নাই। Capital ৰ কাৰণে যদি আমি কেন্দ্ৰীয় চৰকাৰক Influenec কৰিব নোৱাৰো তেতিয়া হলে Public Sector য়েই হওঁক বা Private Sector য়েই হওঁক সোনকালে উদ্যোগ গঢ়ি তোলা টান হৈ পৰে। এতিয়া আমাৰ উদ্যোগ মন্ত্ৰীয়ে কলে যে যিমানবিলাক Plane কৰিলে সেইবোৰ directly Industry কৰিবলৈ সিমান টকা নাই। এই public sector ত Industry কৰিবলৈ আমাক ২৪ হাজাৰ কোটি টকাৰ দৰকাৰ আৰু private sector ত কৰিবলৈ ১০ হাজাৰ টকা দৰকাৰ। কিন্তু এই টকা আমি পাম কত ? বাজেটত Industry তেই যদি বেচি টকা ধৰা হয় অইন Head ত আপেক্ষিক গুৰুত্ব বাঢ়ি যাব। গতিকে Tempo create কৰি ভাৰত চৰকাৰক এই ডাঙৰ ডাঙৰ Public বা Private Sector ৰ নিচিনা উদ্যোগবোৰৰ কাৰণে অনুৰোধ কৰিব লাগিব। যেনে ধৰক Petro Chemical Complex আমি Demand কৰিলো কিন্তু তাৰ কাৰণে আমাৰ নামত Tempo ও থাকিব লাগিব। এতিয়া আমি যিবোৰ Industry কৰিব বিচাৰিলো যেনে Cement, Paper Mill, Oil, বা Bemboo Industry ইত্যাদি সেইবোৰ যদি আমি এবাৰ Start দিব পাৰো সেইবিলাকৰ গতিটো বাঢ়ি যাব। এতিয়া ধৰক Plywood factory হ'ল, কিন্তু আমি কাঠ যোগাব নোৱাৰো। আজি আমাৰ উৎপাদিত বস্তু আমেৰিকালৈ গৈছে।

Md. Shamsul Huda -- গতিকে পাতৰ সুবিধা কৰি দিয়ক।

( বিপুল হৰ্ষধ্বনী )

Shri Kamakhya Prasad Tripathi— মাননীয় সদস্য শৰ্ম্মা ডাঙৰীয়াই কৈ গৈছে— এইটো ক'ৰ পৰা কটা যায় তাক চাবলৈ ফৰেষ্ট বিভাগ আছে।

Shri Debeswar Sarmah— অধ্যক্ষ মহোদয় আঠুৱাৰ তলত ম'হ মাৰিবলৈ আমাক বন্দুক লাগে গতিকে কেনেকৈ Supervise কৰিব। (বিৰাট হাঁহাকাৰ একো শুনা নাযায় )

Shri Kamakhya Prasad Tripathi— সেইটো কৰিলে দেখোন Industry নাইকীয়াই হব। গতিকে কঠোৰ ব্যৱস্থা লব লাগিব।

Shri Debeswar Sarmah— উপাধ্যক্ষ মহোদয় অনৰ্থক কথাকৈ সদনৰ সময় নষ্ট নকৰো গতিকে আচল কথালৈ আহোচোন ।

Shri Kamakhya Prasad Tripathi— যি নহওক Capital ৰ দৰ্কাৰ হয়। আমাৰ অসম চৰকাৰে তাৰ বাবে যত্ন কৰি আছে।

হয়, হয় কেতিয়াবা Capital জমা থাকিলেও কাম নহয়। ধৰক তেজপুৰত Sugar Mill ৰ কাৰণে ২৯ লাখ টকা আছে। টকা থাকিলেও কেতিয়াবা আন কিছুমান বস্তু পাবলৈ টান হয়।

( Voices— Paper মিলৰ কথা কওঁক )

Shri Premadhar Bora – Paper Mill সম্পৰ্কে ভাৰত চৰকাৰে কি Statement দিছে।

Shri Kamakhya Prasad Tripathi— 4 licences were issued and more of them was fructified. যি হওঁক এই Industry বিলাকৰ যিটো production ৰ উপলক্ষ্য সেইটো যদি কৃতকাৰ্য্য হয়, তেতিয়াহলে আমাৰ পঞ্চবাৰ্ষিক পৰিকল্পনাত যথেষ্ট চাকৰি হব, Directly বা Indirectly হলেও কিছুমানে তাত স্বীকৃতি পাব আৰু তেতিয়াহে আমাৰ un-employment সমস্যাটো সমাধান কৰিবলৈ সুবিধা হব। কিন্তু এই ক্ষেত্ৰত যিবিলাক ব্যৱস্থা অতি সোনকালে হব লাগিছিল সেই বিলাক সোনকালে নহ'ব পাৰে। আজি এটা ল'ৰা মোৰ ওচৰলৈ আহিছিল আৰু মোক কৈছিল যে ৫০০০ হেজাৰ টকা জমা দিলেহে তেওঁ কামটো কৰিব পৰা হব বুলি কলে। আমি সুধিলোঁ।

Shri Kamakhya Prasad Tripathi— Hindi Reporter absent.

Shri Hiralal Patwary— মই কব খুজিছোঁ বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসুবিধা হোৱাৰ কাৰণে জেইলতো কিছুমান দিব লগীয়া হৈছে। এইটো কথা সঁচা নহয়। সেইটো জেইলৰ বাহিৰতহে কৈছিল। গতিকে এই গোটেই কথাই abnormal.

Shri Kamakhya Prasad Tripathi— তাৰ পাছত এইটো ঠিক যে ১৯৬৬-৬৭ চনত অসমৰ বহুতো ঠাইত বিজুলী শক্তি দিয়া হৈছে কিন্তু যিবিলাক ঠাইত আগৰে পৰা আছে সেই বিলাকত নতুনকৈ দিয়া নাই। কিন্তু ১৯৬৭-৬৮ চনত আমাৰ যিমান অনুদান আছিল, এতিয়া কিছু কম হৈছে।

তাৰ পাছত মুৰ্গীবোৰৰ যিটো ব্যৱস্থা আছে, তাত ব্যৱসায়ী সকলে কিছু লাভবান হব পাৰে আৰু চৰকাৰেও কিছু নহয় কিছু কাৰ্য্যকৰী কৰিব পাৰে। কিন্তু এই বিলাক শিল্পৰ কাৰণে উচ্চ শিক্ষা লবলৈ আমাৰ ল'ৰাবিলাকক বাহিৰলৈ নিব লগা হয় আৰু ভাল ল'ৰা পালে বা বাহিৰলৈ ট্ৰেইনিং লবৰ ইচ্ছা থাকিলে কোনোবাই বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। সেই বিলাকত কিছুমা টকা আগতীয়াকৈ জমা দিব লাগে আৰু কোনোবা মহাজন বা Bank ৰ পৰা Loan লৈ ল'ৰাটোক বাহিৰলৈ পঠাবলৈ চেষ্টা কৰিব লাগে। তেনে কৰিলে আমাৰ শিল্পৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ সম্ভাৱনা বহুতো আছে!

Shri Premadhar Bora—আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে যে State Bank ৰ লগত সহযোগ কৰিলে ঋণ পোৱাৰ সম্ভাৱনা আছে। কিন্তু মই এটা ল'ৰাক বাহিৰলৈ পঠাবৰ কাৰণে State Bankৰ লগত সহযোগ কৰিও নোৱাৰিলোঁ। আন কি D.C. ক লগত লৈও Agust মাহত নাৰায়ণ পূৰৰ এটা ল'ৰা কাৰণে State Bank লৈ গৈছিল। তাৰ প্ৰমাণ স্বৰূপে মই এইখন পঢ়ি দিও যে— With reference to your discussion that you had with us or the 2nd of January. we have sintably

advised the North Lakhimpur Agent to shatter..........

Mr. Deputy Speaker— Mr. Bora, please give that to him.

Shri Kamakhya Prasad Tripathi— তাৰ পিছত দুমাহ Survey কৰাৰ পিছত দেখা গ'ল যে যিবিলাকৰ আগৰ Capital আছিল তেওঁবিলাকে ব্যৱসায় কৰিম বুলি কোৱাত loan দিব পৰা যাব — যদি তেওঁবিলাকৰ Captial দেৰ দুই লাখ টকা আছিল। বিহপুৰিয়া আৰু নাৰায়ণপুৰতো এইটো Report কৰিছিল। যি সকল Engineer, Overshar বা তেনে ধৰণৰ কাৰীকৰী লোককো loan দিয়াৰ ব্যৱস্থা কৰা হয়। সৰু দোকান পোহাৰ কৰিবলৈ ইচ্ছুক সকলোকো loan দিয়াৰ ব্যৱস্থা কৰা হয় আৰু ৩ দিনৰ ভিতৰতে ঘুৰি Report লৈ Development Officer এ মোলৈ লিখিছিল। চিঠিখন মোলৈ Refer কৰক। তেজপুৰৰ লৰাইও সুবিধা পাইছে। মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াৰো আগ্ৰহ থকা হলে উপকাৰত আহিলহেঁতেন। আৰু তাৰ প্ৰমাণ দেখিছো। কাগজখন ঘুৰাই দিছে।

Shri Giasuddin Ahmed— এই সমন্ধে আমাৰো অলপ অভিজ্ঞতা আছে।

Shri Kamakhya Prasad Tripathi – মাননীয় সদস্য সকলৰো যে অভিজ্ঞতা আছে সেইটো মই অস্বীকাৰ নকৰো। সেইকাৰণেই Bank Nationalization ৰ লগে লগেই যে সকলো আসোঁৱাহ মৰি গৈছে সেইটো কোৱা নাই। কিন্তু এইটো কৰাৰ ফলত ক্ৰমান্বয়ে সুচল হৈ আহিব। সুচল হলেও অভিজ্ঞতা জ্ঞানৰ অভাবে ইয়াত বাধা দিব পাৰে। সেইকাৰণেই Bank আৰু ৰাইজৰ মাজত সহযোগ বঢ়াবৰ কাৰণে চেষ্টা কৰিলে এই বাধাবোৰ সোনকালে আঁতৰিব। সকলো মানুহৰে Security একেবাৰেই নাই বুলি কব নোৱাৰো। গাৱঁৰ যি বিলাক মানুহৰ Security আছে তেওঁবিলাকে Loan পোৱাত তাৰাতাৰি হব। গাৱঁত Security নোহোৱা মানুহ একেবাৰেই নোহোৱা নহয়। হলেও কিছুমান কিছু Resource নোহোৱাকৈ মানুহে Industry কৰিবলৈ যাব নোৱাৰে। Prolitarianization Process এটা আছে। এই Prolitarianization Process মতে যি বিলাক খেতিয়কৰ

* Speech not corrected

খেতিৰ মাটি শেষ হৈ যাব— এই process মতে তেওঁলোক পুনৰ খেতিয়ক হব নোৱাৰে। তেওঁলোক পুনৰ শিল্পৰ পৰা যদি আকৌ পুনৰ খেতিলৈ নামিব খোজে তেতিয়াও তেওঁলোক খেতিয়ক হব নোৱাৰে। তেতিয়া তেওঁলোক মজদুৰ হৈ যায়। এইদৰেই মজদুৰ হৈ আছে। অসমত এই Prolitarianization ৰ নিয়মৰ ওলোটা মতে মাটিহীন খেতিয়কক ৩/৬ বিঘা মাটি দি খেতিয়কৰ ব্যৱস্থা কৰা হৈছে। Irrigation নোহোৱাকৈ ৩/৬ বিঘা মাটি দিয়েই কেৱল খেতি কৰিব নোৱাৰি। গতিকে এই Prolitarianization ৰ নিয়ম মতে অসমৰ Irrigation ৰ সুবিধা নথকা মাটি দি খেতিয়ক কৰিব নোৱাৰি।

Shri Sailan Medhi— এইটো economics ৰ lecture ৰ নিচিনা হৈছে।

Shri Kamakhya Prasad Tripathi— সময়ে সময়ে মাননীয় সদস্য সকলৰ internertion এ মোক বেছ inspiration দিয়ে।

Mr. Deputy Speaker— কিমান সময় লব ?

Shri Kamakhya Prasad Tripathi— ৫ মিনিট মান আছে আৰু।

Shri Atul Chandra Goswami— আপোনাৰ lecture বহুত দিনেই শুনা নাই। ৫ মিনিট নেলাগে দহ মিনিট হলেও শুনিম।

Shri Kamakhya Prasad Tripathi— আমাৰ শ্ৰীমতিলাল নায়ক ডাঙৰীয়াই যে কৈছে যে আমাৰ শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী দিল্লীৰ পৰা M. P. ৰ পদত থকাৰ পিছত ইয়ালৈ কিয় আহিল। তাত থকা হলে অন্ততঃ ৪০০/৫০০ শ টকা পাব পাৰিলেহেঁতেন। এইটো এটা ব্যক্তিগত আক্ৰোশ।

Shri Dulal Chandra Barua— ইয়াত আমাৰ কি ব্যক্তিগত আক্ৰোশ থাকিব পাৰে। তেখেত ইয়াত Chief Minister হবলৈকে আহিছেনে নাই Finance Minister হবলৈকেই আহিছে সেইটোত আমাৰ কি আছে ?

Shri Kamakhya Prasad Tripathi— শব্দত সপোনৰ প্ৰয়োগ হৈছে। ভাগৱতী socialism কৰিবলৈ তাত গৈছিল। Capitalism কৰিবলৈ তাত যোৱা নাছিল আৰু এতিয়াও তেখেত ইয়ালৈ আহিছে সমাজ

বাদ কৰিবৰ কাৰণেহে— Capitalism কৰিবলৈ নহয়। কাৰণ শ্ৰীভাগৱতী হৈছে Socialism ত বিশ্বাস থকা মানুহ।

Shri Dulal Chandra Barua— মন্ত্ৰী হবলৈ যোৱাটো এটা শিল্প নহয় জানো?

Shri Kamakhya Prasad Tripathi— মন্ত্ৰী হবলৈ যোৱাটো আটাইতকৈ ডাঙৰ শিল্প। M. L. A. হবলৈ যোৱাটোও এটা ডাঙৰ শিল্প। Man and matters ৰ লগত deal কৰিবলৈ যোৱাটো এটা কম শিল্প নহয়। তেখেত সকলো শিল্পী আৰু আমিও শিল্পী। এই দুই শিল্পীৰ মাজত পৰি মাজৰ বিবিণাৰহে মৰণ হব।

Shri Hiralal Patwary— Application দিও চাকৰী দিব নোৱাৰা বিলাকক চাকৰি পাব নোৱাৰা বিলাকে কি ভৱিষ্যতে আৰু চাকৰি নেপাবইনেকি? চৰকাৰে তাৰ ভৱিষ্যতে ব্যৱস্থা নকৰিব নেকি?

Shri Kamakhya Prasad Tripathi— মাননীয় সদস্য সকলে কৈছে যে গৱৰ্ণমেণ্টৰ employee ৰ সংখ্যা কমি গৈছে। ১৯৫৮ চনৰে পৰা ১৯৬৮ চনলৈকে অসমত চাকৰিৰ সংখ্যা ২ গুণ কমি গ'ল। ৪০ হেজাৰৰ পৰা ৮০ হেজাৰ নিবনুৱাৰ সংখ্যা বৃদ্ধি পালে। কিন্তু সেই হিচাবে কাম ইমান বঢ়া নাই। যিটো হিচাবত কাম বাঢ়িব বুলি ভাবিছিলো সেই হিচাবে বঢ়া নাই। গতিকে বহুতো বিভাগত কাম নোহোৱা অফিচাৰৰ সংখ্যা বাঢ়ি গৈছে।

Shri Debeswar Sarmah— Corporation পাতক।

Shri Kamakhya Prasad Tripathi— যদি Corporation কৰিলে কাম-চাম বাঢ়ে তেন্তে তাকে কৰিব পাৰো। এতিয়া কাম-চাম বঢ়া নাই। অদূৰ ভৱিষ্যতেও আৰু চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰাৰ কোনো আশা নাই। এতিয়া এইটো এনে এটা পৰ্য্যায়ত উপস্থিত হৈছেহি যিটো অৱস্থাত কৃষি সম্প্ৰসাৰণৰ কাৰণে মাটি-চাত্তি খুলি দি কিছুমান মানুহক বৰ্হিৰলৈ যিটো সুবিধা দিয়া হৈছে সেইটো উপযুক্ত হব বুলি ভাবিব লাগে। কিছুমান মানুহক intensive cultivation ৰ কাৰণে মাটি দিব লাগিব।

Shri Bhubanaswar Barman— এই কল্পনাবিলাক full fill কৰিবলৈ হলে তেখেতক ভৱিষ্যতেও মন্ত্ৰীত্বত ৰাখিব লাগে।

Mr. Deputy Speaker— I think we should sit for another 15 minutes to dispose of the matter.

Shri Kamakhya Prasad Tripathi – মন্ত্ৰীত্বত ৰাখিব নেলাগে। আমাৰ নিছিনা বহুত মন্ত্ৰী আহিব আৰু যাব। কিন্তু পৃথিৱীৰ সব বস্তু সেই একেদৰেই থাকিব।

Shri Gaurisankar Bhattacharyya— The matter has become too light. As a matter of fact, the problem is not really so light ! So, let us be a little serious.

Shri Maneswar Baro— আমাৰ যি বিলাক লৰাৰ চাকৰী ক্ষেত্ৰত বয়স পাৰ হৈ গৈছে – তেওঁলোকেতো ভৱিষ্যতে চাকৰী নেপাব। তাৰ কাৰণে কি ব্যৱস্থা লব ? চাকৰীৰ ক্ষেত্ৰত তেওঁলোকৰ বয়স বঢ়াবনে বা অন্য কোনো ব্যৱস্থা এই বয়স পাৰহৈ যোৱা লৰাবিলাকৰ Protectionৰ কাৰণে লব নে ?

Shri Kamakhya Prasad Tripathi— ভৱিষ্যতে এই সকলক চৰকাৰৰ ফালৰ পৰা চাকৰি দিয়াৰ সম্ভাৱনা কম। Self-employment ৰ বাহিৰে উপায় নহব। সেই কাৰণেই Self-employment ৰ সুবিধাৰ কাৰণে চৰকাৰে ২.৫ লাখ টকাৰ এটা Grant Scheme ৰ ব্যৱস্থা কৰিছে। শিল্প ক্ষেত্ৰত আগ্ৰহ থকা সকলকহে এই Grant Scheme ৰ পৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে। Technician, Engineer, আদি লোক সকলে ব্যক্তিগত Security ত ৭ হেজাৰ ৫০০ টকা loan পোৱাৰ ব্যৱস্থা কৰা হৈছে। শিল্প জ্ঞান থকা সকলৰ কাৰণে loan ৰ ভাল ব্যৱস্থা আছে। তাৰ ভিতৰত Higher Purchage Scheme ও আছে শিল্প সম্বন্ধীয় কোনো যন্ত্ৰপাতি কিনিবৰ কাৰণে। গতিকে scheme কেইবাটাও আছে যাতে এটা নহয় এটা scheme ত সোমাই পৰিব পাৰে। Technician বিলাকৰ কাৰণে Security নোহোৱা কৈও Bank advance দিয়াৰ ব্যৱস্থা আছে।

কিন্তু শিল্পৰ পৰা Agricultural Procese টো বেলেগ। ভাৰতৰ অন্যান্য জেগাতকৈ অসমতেই irrigation Development খুউব কম হৈছে। অন্যান্য প্ৰদেশত শতকৰা ২৫% ভাগ মাটিয়েই irrigated Perennial irrigation

System একেবাৰেই নাই। বৰষুণ দিয়াৰ সময়তেহে irrigation ৰ ব্যৱস্থা আছে। কিন্তু খৰালী পানী যোগানৰ ব্যৱস্থা নাই। অন্য State ৰ তুলনাত আমাৰ State ত irrigation 20°/. কম।

( Noise )

এই irrigation system কমহোৱা কাৰণে আমি সকলো ধৰণৰ Crops ইয়াত বঢ়াব পৰা নাই।

গতিকে এই অৱস্থাত কেনেকৈ Crops বাঢ়িব। এতিয়া চাওঁক পাঞ্জাবৰ যিটো ভাক্ৰা নাঙ্গল বান্ধ সেইটোৰ পৰা multi purpose irrigation কৰিব পাৰিছে। ঠিক তেনেকৈ যদি Perenial irrigation কিছুমান অসমত কৰিব পৰা যায় তেনেহলে কৃষিত আমি যথেষ্ট আগবাঢ়িব পাৰিম আৰু তাৰ কাৰণে চেষ্টা চলাই আছো।

Electricity খেতি পথাৰ লৈ যে সম্প্ৰসাৰণ কৰিব পৰা নাই এই কথাত মাননীয় সদস্যৰ লগত একমত এইটো কৰিব নোৱাৰাত অসমৰ ডাঙৰ লোকচান হৈছে। ইয়াৰ সম্প্ৰসাৰণৰ চেষ্টা কৰি থকা হৈছে আৰু Scheme আদিও বিচৰা হৈছে।

Mr. Deputy Speaker— Mr. Tripathi, I hope you are finishing because they have also the right of reply.

Shri Kamakhya Prasad Tripathi— Sir, in this matter there is no end. So we will have continuous discussion on the budget debate also.

Mr. Deputy Speaker— Do you want to reply to-day ?

Shri Promode Chandra Gogoi— Yes.

Mr. Deputy Speaker— Can you finish within five minutes ?

Shri Promode Chandra Gogoi— Yes, I will finish within five minutes.

Shri Promode Chandra Gogoi— উপাধ্যক্ষ ডাঙৰীয়া বিষয়টোৰ ওপৰত যি গুৰুত্ব দিয়া হৈছিল, সমাধানৰ ক্ষেত্ৰত গুৰুত্ব সেই পৰ্য্যায়ত নাই।

তেখেতে কৈছে আমাৰ সমস্যা সমাধানৰ ক্ষেত্ৰত নীতিগত প্ৰশ্ন তুলিছে—যুদ্ধ আৰু violence দুয়োটা কথা একে নহয়। যি সকলে সমাজ ব্যৱস্থাক বিশ্বাস কৰে তেওঁলোকে দেখিব সমাজ এফালে থাকিলে তাৰ কাৰ্য্য কলাপ আনফালে। ইয়াৰ এটা পৰিবৰ্ত্তনৰ দৰকাৰ। গতিকে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কেতিয়া কোন পথ গ্ৰহণ কৰিছে সেইটো নিৰ্ভৰ কৰিব বাস্তৱ দৃষ্টি ভঙ্গিৰ ওপৰত। তেখেতে কৈছে যে সমস্যা সমাধানৰ কৰাৰ কাৰণে বিশেষকৈ উদ্যোগৰ দৰকাৰ আৰু উদ্যোগ কৰিবলৈ মূলধনৰ প্ৰয়োজন। কথাটো সঁচা, কিন্তু বৰ্ত্তমান চৰকাৰে নিশ্চয়কৈ জনাব পাৰিবনে মুলধন থকাটো কেইটা উদ্যোগ কৰিব পাৰিছে ? অভিজ্ঞতাৰ পৰা এই কথা কব পাৰো যিবোৰ বিভাগ জন সাধাৰণৰ বেছি ওচৰ চপা যেনে সমবায়ৰ কথাকে কৈছো, সমবায়ৰ যোগেদি সম্প্ৰীতি বাঢ়িব আৰু আনহাতে আমাৰ দেশত উৎপাদন বাঢ়িব কিন্তু সমবায়ক যিমান টকা দিয়া হৈছে সেই আটাইবোৰ খৰছ কৰিব পাৰিছে জানো ? লক্ষ লক্ষ টকা সমবায় বিভাগে Surrender কৰিছে। চিকিৎসাৰ কাৰণে আমাৰ মানুহে হাঁহাকাৰ কৰি মৰিছে কিন্তু জন স্বাস্থ্য বিভাগে টকা খৰছ কৰিব নোৱাৰি ৩০ লক্ষ টকা কেন্দ্ৰীয় চৰকাৰক Surrender কৰিব লগীয়া হৈছে। আমাৰ শিক্ষা বিভাগ যি বিভাগত স্কুলত লৰা বহিবলৈ ঘৰ দুৱাৰ নাই তেনে বিভাগেও লক্ষ লক্ষ টকা Surrender কৰিব লগীয়া হৈছে। গতিকে কেৱল মুলধনৰ কাৰণেইযে উদ্যোগ হোৱা নাই সেইটো নহয়। উদ্যোগৰ কাৰণে মুলধন লাগে হয় কিন্তু যিখিনি মুলধন আছে তাক নিয়োগ কৰি যথাযথ ব্যৱহাৰ কৰিব পাৰিছে নে নাই কিন্তু দেখা যায় আমাৰ চৰকাৰে পৰা নাই। সেই কাৰণে যিটো সমস্যা উৎথাপন হৈছে সেই বিষয়ে এটা কথা মই চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিছোই যে এই সমস্যা সমাধানৰ কাৰণে চৰকাৰে বিশেষ নজৰ দিব লাগিব। এই সমস্যা কেৱল আমাৰ ৰাজ্যিক সমস্যাই নহয় এইটো সৰ্ব্ব ভাৰতীয় সমস্যা! আজি দেশত অৰ্থনৈতিক অৱস্থাই যি তিব্ৰতা লাভ কৰিছে পৰ ওপৰত ভিত্তি কৰিয়ে নানা সময়ত নানা সমস্যাই দেখা দিছে। ১৯৩৫ চনত জাৰ্মানত ফেচিবাদৰ জন্ম হৈছিল। National Socialism ৰ ওপৰত ভিত্তি কৰি ফেচিবাদৰ জন্ম হৈছিল।

Speech not Corrected

তাৰ পিচত আমি দেখিছো বম্বেত শিৱমেলা হৈছে। ইয়াৰ ওপৰত ভিত্তি কৰি মহাৰাষ্ট্ৰত নিৰনুৱা সমস্যা সমাধান হব। তেওঁলোকে আজি দুখীয়া সকলৰ বাবে বিবেচনা কৰাৰ বাবে শিৱমেলাৰ জন্ম হৈছে। তাত এনেকুৱা কিছুমান ভিত্তি বিবেচনা কৰি সেই মতবাদৰ সৃষ্টি হব পাৰিছে। কিন্তু আমাৰ প্ৰদেশত কি মতভেদ লাভ কৰিছে, সেই বিষয়ে পুনৰ আলোচনা নকৰো। আমাৰ প্ৰদেশত Petro Chemical Complex ৰ ক্ষেত্ৰত ২৫ হাজাৰ নিয়োগৰ কথা কৈছে। এইটো ভাল কথা। ভৱিষ্যতেও যিবিলাক উদ্যোগ আমাৰ প্ৰদেশত প্ৰতিষ্ঠা হব, সেই উদ্যোগ বিলাকত আমাৰ প্ৰদেশত বসবাস কৰা মানুহৰ নিয়োগৰ নিৰাপত্তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব। আমাৰ দেশৰ সৰহ সংখ্যক নিৰনুৱাৰ নিয়োগৰ যাতে ব্যৱস্থা কৰিব পৰা হয়, এই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ প্ৰদেশত যিবিলাক উদ্যোগ হবলৈ উলাইছে, সেই বিলাক উদ্যোগ আমাৰ দেশৰ লোক সকলক প্ৰশিক্ষণ আদি দি চাকৰিৰ ব্যৱস্থা কৰাৰ চৰকাৰৰ দায়িত্ব আছে। তেনে ব্যৱস্থা যদি কৰা নহয়, তেন্তে আমাৰ লোক সকল নিৰনুৱা সমস্যাৰ সন্মুখীন হব লাগিব।

Shri Dulal Chandra Barua – উপাধ্যক্ষ মহোদয়, মই সদনৰ সদস্য সকলক ধন্যবাদ দিছো। ইয়াত যি বিষয় বস্তুৰ ওপৰত আলোচনা চলিছে সেইটোত সকলোয়ে গুৰুত্ব আৰোপ কৰি সমস্যা সমাধান কৰাৰ কাৰণে চেষ্টা কৰাৰ বাবে সকলোকে ধন্যবাদ জনাইছো। কিন্তু এটা কথা মই কব বিচাৰিছো যে আমাৰ ইয়াত বহুতো কথা আলোচনা হয় কিন্তু কাৰ্য্যক্ষেত্ৰত সেই বিলাক হৈ নুঠাত বৰ দুখৰ বিষয় হৈ পৰিছে। আমাৰ দেশত কাগজ কলৰ কাৰণে যিমানখিনি বস্তুৰ দৰকাৰ সেইখিনি অসমত উভৈনদী হৈ আছে কিন্তু ভাৰতবৰ্ষৰ অন্যান্য যিবিলাক প্ৰদেশ সেই বিলাক প্ৰদেশত এই বস্তুবোৰ নাই। দুখৰ বিষয় এই ২২ বছৰত উদ্যোগ গঢ়ি নুঠিল। আমি স্বীকাৰ কৰিব লাগিবযে আমাৰ ৰাইজৰ অন্নসংস্থানৰ কাৰণে আমাৰ মন্ত্ৰী সকলেই হওক ৰাবাহিৰৰ যি কোনো partyয়েই হওক সকলোয়ে ত্যাগ স্বীকাৰ কৰিব লাগে বুলি প্ৰতিশ্ৰুতি দিছে। কিন্তু প্ৰতিশ্ৰুতি দিয়াৰ পিছতো কোনো ক্ষেত্ৰতে আগবাঢ়িব পৰা নাই।

আজি নিৰনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে আন্দোলন হোৱাটো অনিবাৰ্য্য প্ৰয়োজন হৈ পৰিছে। তাৰ পিছত চৰকাৰে কব যে নক্সালবাদীৰ তৈয়াৰ হৈছে। তাৰ পিচত আমাৰ যিবিলাক উদ্যোগ গঢ়াৰ কথা আছে, তাত

* Speech not correted

যাতে আমাৰ লৰা-ছোৱালীয়ে চাকৰি সম্পৰ্কত নিৰাপত্তা পায়, তাৰ ব্যৱস্থা চৰকাৰে দৃঢ়ভাৱে লব লাগিব। তাৰ লগে লগে মই কব বিচাৰিছো যে O.N.G.C. আদি যিবিলাক উদ্যোগ হৈছে, সেইবিলাকত অন্যান্যৰ উপনিৱেশ তৈয়াৰ কৰা হৈছে আৰু আনহাতেদি আমাৰ লৰাই চাকৰিৰ পৰা বঞ্চিত হব লগা হৈছে।

তাৰ পাছত চৰকাৰে নীতিগত ভাৱে যি বিলাক উদ্যোগ প্ৰতিষ্ঠা কৰিব খুজিছে সেই বিলাকত আইন প্ৰনয়ণ কৰি বহিৰাগত লোকক বহিষ্কাৰ কৰি সেই ঠাইত উপযুক্ত স্থানীয় লোক নিযুক্ত কৰিব লাগে। যদি সেইটোৱেই নহয় তেতিয়া হলে কেতিয়াওঁ চৰকাৰে ৰাইজৰ পৰা সহযোগ নাপাব। গতিকে মই অনুৰোধ কৰিছো যে আমাৰ যিবিলাক India Air Lines Corporation আছে সেই বিলাকত ৫জন মান মানুহ আছে। ঠিক সেইদৰে Railway অনুস্থান বিকাকত আমাৰ স্থানীয় মানুহৰ সংখ্যা অতি কম। গতিকে Extraordinary order pas কৰি যাতে আমাৰ যি স্থানীয় লোক আছে তেওঁ লোক চাকৰীৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা কৰিব লাগে।

আৰু এটা কথা দুখেৰে জনাৰ লগীয়া হৈছো চৰকাৰৰ ফালৰ পৰা আলোচনা হয় যে "oppoistion for opposition say" এই ধৰণে একতা নোহোৱাৰ কাৰণে আমাৰ দেশৰ লোকসকলে Suffer কৰিছে। চৰকাৰে যদি এই ধৰণৰ খেলি মেলিৰ সৃষ্টি কৰি উন্নতি কৰিবলৈ যায়, তেনেহলে মহা ভুল কৰা হব। মই T. A. D. Minister ক অনুৰোধ কৰিছো যাতে সকলোকে সমভাৱে ভাবে। আজি উদ্যোগীকৰণৰ ক্ষেত্ৰত কিছুমান পকেট ৰাচি লোৱা হৈছে। ৰায় চৌধুৰীয়ে Scheme খন ভালকৈ পৰিচালনা কৰিব নোৱাৰাৰ বাবে তিনি লাখ টকা Lapse কৰিব লগা হল।

উপাধ্যক্ষ মহোদয়, আজি তিনিলাখ টকা Lapse কৰিছে। এই দৰে চৰকাৰে কেন্দ্ৰীয় চৰকাৰে দিয়া বস্তুটো হেৰুৱাই দিলে। নিৰনুৱা বুলিলে অকল শিক্ষিত নিৰনুৱাই নহয়, আমাৰ গাৱেঁ ভুঞে কৃষি আদিও বা অন্যান্য ক্ষেত্ৰত যি সকল আছে, সেই সকলোকে বুজায়। গতিকে যদি আমি সকলো এক গোট হৈ দৃঢ় ভাৱে সমস্যা সমাধান কৰিব পাৰো, তেতিয়া দেশৰ উন্নতি কৰা হব। এই ধৰণৰ Policy কৰি চৰকাৰে কেন্দ্ৰৰ লগত যোগাযোগ কৰি প্ৰশিক্ষণ ইত্যাদিৰ ব্যৱস্থা কৰে, তেন্তে নিৰনুৱা সমস্যা সমাধান কৰাত সহায় কৰিব।

Mr. Deputy Speaker – Order, Order Please. The House stands adjourned till 9 A.M. tomorrow.

Adjournment

The Assembly then adjourned till 9 A.M, on Friday, the 10th April 1970.

U. Tahbildar.
Secretary.
Legislative Assembly, Assam

Shillong.
The 9th April, 1970